চানদমামা

অগাস্ট ১৯৮৬

আতাবড়েৰা হৈছে!
FEVI GUM
এক মজাৰ গাম!
স্কুল, অফিচ আৰু
ঘৰৰ কাৰণে
চিন্থেটিক পেপাৰ গাম।

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক — আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !

গৌতম গোস্বামী
৭/৮/৮৬

চান্দমামা

অগাস্ট ১৯৮৬

এই সংখ্যাত আছে

কাৰ্ত্তবীৰ্য্যাৰ্জুন	১০	কাপুৰুষ-মহাপুৰুষ	৩৯
দৰব আৰু হাঁহিৰ কথা	১১	শিৱলীলা	৪৩
জ্বলা দ্বীপ	১৯	কপালৰ ফেৰ	৪৯
প্ৰেৰণা	২৭	জীৱনৰ মূলধন	৫১
কথা আৰু কাম	৩৪	ইস্ বুলিলে বিষ	৫৬
আমাৰ দ'ল-দেৱালয়	৩৫	গোবৰখুটি	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, পশু-পক্ষী ইত্যাদি।



Wonder what her smile meant.
I'd walked up to her
and offered my pack
of fresh mint
bubble gum.
She popped
one in.
And she smiled .....

Was it my charm, or was it my bubble gum?

NP Fixy Foxy
Spearmint Bubble Gum

Dattaram NP 2E/86

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।

আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘঁহোতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰ্মুলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।

ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিছত ক'লগেটেৰে দাঁত ঘঁহে সেইবিষয়ে নিশ্চিন্ত হওক।

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি সুস্থ হব
এই মিনিট জোৱাদত!

চান্দমামা

সংস্থাপক : চক্রপাণি সঙ্কলক : বি নাগিৰেড্ডি

পাঠক-পাঠিকাসকললৈ আমাৰ বিশেষ অনুৰোধ : (১) 'ফটো-নামকৰণ প্ৰতিযোগিতা'লৈ যোগদান কৰোঁতে প'স্টকাৰ্ড প্ৰতিযোগীয়ে নিজ হস্তাক্ষৰেৰে লিখিব ; (২) কোনো প্ৰতিযোগীয়ে এখনতকৈ অধিক প'স্টকাৰ্ড লিখি নপঠাব ; (৩) প্ৰতিযোগীয়ে তেওঁৰ বয়স অৱশ্যেই উল্লেখ কৰিব ; (৪) ঠিকনা—অসমীয়াত বা ইংৰাজীত অতি স্পষ্টকৈ আৰু সঠিকভাৱে লিখিব ; (৫) যিমান সোনকালে প'ষ্টকাৰ্ডখন পঠাব সিমানেই ভাল—এই কথাটি সদায় মনত ৰাখিব।

অমৰ-বাণী

ধনানি জীৱিতম্ চৈব পৰাৰ্থে প্ৰাজ্ঞ উৎসৃজেৎ ।
সন্নিমিত্তে বৰম্ ত্যাগো বিনাশে নিয়তি সতি ॥

[প্ৰকৃত জ্ঞানীয়ে পৰোপকাৰৰ বাবে নিজৰ ধন-সম্পদ, আনকি নিজৰ প্ৰাণো বিসৰ্জিবলৈ কুণ্ঠিত নহয় ; কিয়নো; তেওঁ এই সত্যক সত্যৰূপে জানে যে এইবিলাকৰ এদিন অন্ত পৰিবই ।]

বছৰ : ১১ অগাস্ট ১৯৮৬ সংখ্যা : ৫

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

CHANDAMAMA PUBLICATION

CHITRA

খেল, খেলনা, কমিক্স বোৰিং
ৰবিক লাগে আৰু ইন্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ সাজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
EKCO
এক'
স্কেচ পেন — ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ ১৮, সুভাষ ৰোদ, ভিলে পাৰ্লে (পূব), বোম্বাই-৪০০ ০৫৭.
ফোন : ৬০৪০৩০৫, ৬০৪০৫৫৬.

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

আমেৰিকাত তাজমহল



ড'নাল্ড ছ'লডিনি নামৰ এগৰাকী আমেৰিকান মানুহে ফ্ল'ৰিডাত তাজমহল নিৰ্মাণ কৰিবলৈ প্ৰচেষ্টা চলাইছে। আমেৰিকাত তাজমহল থকাহেঁতেন অসংখ্য আমেৰিকান নৰ-নাৰীয়ে তাজমহল চাবলৈ পালেহেঁতেন—এই যুক্তিত ছ'লডিনিয়ে এই কৰ্মসূচী হাতত লৈছে।

পিৰামিড-যুগৰ বায়ু

আনুমানিক ৪৬০০ বছৰৰ আগেয়ে নিৰ্মিত চিঅ'প্‌ছ্‌ পিৰামিডৰ তলৰ ফালে সঞ্চিত বায়ু বটলত ভৰাই, সেই বায়ু গৱেষণা কৰাৰ সিদ্ধান্ত লৈছে কেইগৰাকীমান গৱেষকে। তেওঁলোকৰ ধাৰণা, এই গৱেষণাৰ ফলত ভূগৰ্ভস্থ আৰহাৱা, প্ৰাচীন মিছৰবাসীয়ে কি উপায়ে মনুষ্যদেহ ইমানকাল ধৰি অবিকৃত ৰাখিব পাৰিছিল, সেই কথাৰো চাগৈ ভু পোৱা হ'ব।

মহিলাসকলৰ বাবে



চৌদী আৰৱত এটা কাৰখানাত কেৱল মহিলাসকলে কাম কৰে। এই দেশৰ আইনমতে নাৰী-পুৰুষে একেলগে কাম কৰিব নোৱাৰে। সেয়েহে এই অভিনৱ ব্যৱস্থা।

জানন

১। পৃথিৱীৰ প্ৰাচীনতম ৰাজধানীৰ নাম কি?

২। মস্কোৰ আগতে ৰুছিয়াৰ ৰাজধানীৰ নাম কি আছিল?

৩। বৰ্তমানে নৰৱেৰ ৰাজধানী অ'ছলো; আগতে কি নাম আছিল?

৪। কেনবেৰাৰ আগতে অষ্ট্ৰেলিয়াৰ ৰাজধানীৰ নাম কি আছিল?

৫। মিছৰ দেশৰ ৰাজধানী কায়ৰোৰ অন্য নাম কি?

[উত্তৰ: ৬৫নং পৃষ্ঠাত]

পুৰাণ-গাথা

কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন

কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে নৰ্মদা নৈৰ তীৰত মাহিষ্মতী নগৰত ৰাজত্ব কৰিছিল। তেওঁ সৰ্বপ্ৰকাৰ কাম নিজেই কৰিব বুলি সংকল্প কৰিছিল। আৰু এই বাবে তেওঁ তেওঁৰ দুখন হাতৰ সলনি সহস্ৰ হস্তলৈ দত্তাত্ৰেয়ক সেৱা কৰি দত্তাত্ৰেয়ৰপৰা প্ৰাৰ্থনা কৰিলে আৰু দত্তাত্ৰেয়য়ো এহাজাৰ হস্ত হোৱালৈ বৰ দান কৰিলে ৰজা কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনক।

এহাজাৰ হাতৰ গৰাকী হোৱাৰ পাছত কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে বহুবিধৰ কাম কৰিবলৈ ধৰিলে। আৰু লগে লগে তেওঁৰ অহংকাৰো বাঢ়িল। এদিন নৈত স্নান কৰি থাকোঁতে নৈত বান আহিল। হঠাৎ কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰ মন গ'ল—এই বান তেওঁ ৰখাব। আৰু সহস্ৰ হস্তেৰে বানক ৰখালে তেওঁ। আৰু তাৰ ফলত সেই বিপুল জলৰাশিয়ে নৈৰ পাৰ-কূল ওপোচাই অসংখ্য ঘৰ-দুৱাৰ উটুৱাই লৈ গ'ল। তেতিয়া নৈৰ তীৰত আছিল ৰাৱণৰ সৈন্য শিবিৰ। সেই শিবিৰো বানে উটুৱাই নিলে। তেতিয়া ৰাৱণে কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰ বিৰুদ্ধে ৰণ দিলে, ৰাৱণ 'পৰাজিত হ'ল।

অগ্নিদেৱতাই এবাৰ গিৰি নগৰ পুৰি ভস্ম কৰিবলৈ মন মেলিলে। এই কাৰ্য্যৰ বাবে অগ্নিদেৱতাই কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰপৰা অনুমতি খোজাত কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে অনুমতি দিলে আৰু অগ্নিদেৱতাই গিৰিনগৰখন ভস্ম কৰি পেলালে। গিৰিনগৰত থকা অপৰ মুনিৰ আশ্ৰমো ভস্ম হ'ল। মুনিয়ে কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনক অভিশাপ দিলে, "তোমাৰ অহংকাৰ চূৰ্ণ হওক।"

কিছুদিনৰ অন্তত কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে জমদগ্নিৰ আশ্ৰমত থকা কামধেনু নামৰ গাভীটি অপহৰণ কৰাৰ চেষ্টা কৰি বাৰ্থ হ'ল আৰু ব্যৰ্থতাৰ ফলত জমদগ্নিক বধ কৰিলে। জমদগ্নিৰ পুত্ৰ পৰশুৰামে কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰ এহেজাৰখন হাত কাটি, বধ কৰি পিতৃহত্যাৰ পোটক তুলিছিল।

দৰব আৰু হাঁহিৰ কথা

চণ্ডিকাপুৰত জগন্নাথ নামৰ এজন ব্ৰাহ্মণ আছিল। এই ব্ৰাহ্মণ মানুহজনে তেওঁৰ তিনিজনী জীয়েক ওপজাৰ পাছত এটি পুত্ৰ সন্তান লাভ কৰিলে, আৰু পুত্ৰটিৰ নাম থোৱা হ'ল বিশাৰদ।

*

বিশাৰদৰ তিনিজনী বায়েকে বিশাৰদক সজাইছিল পৰাইছিল, লগ-সংগ দিছিল, তাৰ লগত ধেমালি-ধুমুলা কৰিছিল, এক কথাত বিশাৰদৰ যাতে অলপো অসুবিধা নহয়, তাৰ বাবে তাৰ বায়েকহঁতৰ সদা-সৰ্বক্ষণ সজাগ আছিল। বিশাৰদ তাৰ মাক-দেউতাকৰো—যাক বোলে চকুৰ পুতলি। কিন্তু ইমান আদৰ-যত্ন পোৱাৰ ফলত বিশাৰদ এটা হানি হ'ল। 'ক'ৰ কেইটা চুক, বিশাৰদে ভালকৈ নজনাকৈ নোম-নেগুৰ বৰ্জিটো হৈ থাকিল।

*

বিশাৰদ পোন্ধৰ বছৰীয়াটো হওঁতে-নৌহওঁতেই তাৰ বায়েকহঁতৰ বিয়া হৈ গ'ল। আৰু তাৰ পাছতহে বিশাৰদৰ মাক-দেউতাকে মূৰৰ ওপৰত সাত চৰি পানী পৰা যেন পালে—পুতেকৰ ভৱিষ্যৎৰ কথা ভাবি। কিয়নো, লিখা-পঢ়াৰ কথা কোৱামাত্ৰেই নোম-নেগুৰ বৰ্জিত বিশাৰদ একেবাৰে জাঙুৰ খাই উঠিছিল।

*

তেতিয়া পিতৃ জগন্নাথে ভাবিলে: ই কণিবিহৰ গুটিয়ে জীৱনত কি কৰি পেট প্ৰৱৰ্তাব? মই যিকণ থৈ যাম—ই উৰাই হে দিব। আৰু সাঁতুৰিব নাজানিলে বাপে খনা খালতো পুতেক ডুবি মৰিব

'বসুন্ধৰা'

পাৰে, সাচনৰ ধন কাছনত যাব পাৰে।

*

এইবোৰ কথা চিন্তি যেতিয়া জগন্নাথৰ মূৰেদি ধনঞ্জয় বায়ু উৰি আছিল, তেতিয়া চণ্ডিকাপুৰত এদিন এজন ব'ৰাগী-সাধু ওলালহি। ব'ৰাগীয়ে হেনো ভূত-ভৱিষ্যৎ ক'ব পাৰে। জগন্নাথে ব'ৰাগীক ক'লেগৈ, "আপুনি দয়া কৰি যদি আমাৰ ঘৰলৈ যায় আৰু এসাজ খায়—বৰ সুখ পাম।"

ব'ৰাগী জগন্নাথৰ প্ৰস্তাৱত সন্মত হ'ল।

*

খোৱা-বোৱাৰ অন্তত জগন্নাথে ব'ৰাগীক তেওঁৰ পুত্ৰ বিশাৰদৰ কথা বিশদভাৱে বুজাই ক'লে।

ব'ৰাগীয়ে বিশাৰদৰ হস্তৰেখা পৰীক্ষা কৰি জগন্নাথক সুধিলে, "তুমি ইয়াৰ সম্পৰ্কে—মানে তোমাৰ পুত্ৰটিৰ সম্পৰ্কে কি জানিবলৈ বিচাৰিছা?"

জগন্নাথে ক'লে, "হে মহাত্মা, মইনো আৰু কিমান দিন? ই—এই বিশাৰদে পঢ়া-লিখা একো নকৰা হ'ল। আমাৰ মৃত্যুৰ পাছত তাৰনো ভৱিষ্যৎ কি? সেই কথাটোৱেহে মোক খুলি খাইছে।"

ব'ৰাগীয়ে বিশাৰদৰ হাতৰ ৰেখালৈ পুনৰ চাই জগন্নাথক ক'লে, "তোমাৰ এই পুত্ৰৰ ভৱিষ্যৎ ভাবি চিন্তাত চুলি ছিঙিব নালাগে। তোমাৰ পুত্ৰই সুনিশ্চিত-ভাৱে দেশৰ ৰজাৰ আশ্ৰয় পাব। এওঁ ধনে-যহে ইহ-জগতত বিদিত হ'ব।"

"কিন্তু প্ৰভু, ই কণিবিহৰ গুটি বিশাৰদৰ দেখোন পঢ়ান-লিখনলৈ ৰাপেই নাই। মূৰুখৰো মূৰুখ এটাই ৰজাৰ আশ্ৰয় পাবনো কেনেকৈ? সিনো তাৰ কোন যোগ্যতাৰে ৰজাৰপৰা আশ্ৰয় বিচাৰিব?" জগন্নাথে জলম লগাই ক'লে।

"হওঁতে—" ব'ৰাগীয়ে ক'লে, "কৈছা ঠিকেই, মূৰুখহঁতে ৰজাৰ আশ্ৰয় নাপায়। পিছে—মানুহ মন কৰিলে ছন কৰিব পাৰে, আৰু কি বোলেনে—তোমাৰ

বিশাৰদেও বিস্তৰ পাৰিব। তুমি বিশাৰদক সংস্কৃত ভাষা শিকাবলৈ যত্ন কৰাচোন, চাবা, এদিন এই সংস্কৃতৰ যহতে তাৰ নাম-ধাম দেশত তথা দেশৰ বাহিৰতো বৈ বৈ যাব।"

"যিটোৱে নিজৰ মাতৃভাষাত অ আ ক খ কাক বোলে নাজানিলে, সেইটোৱে যে কিৰূপে সংস্কৃতত ধৰিব—ঠাৱৰ কৰিব পৰা নাই মই। হে পৰভু, মোক আপুনি বুজাই কওকেই।" অবাক-হতবাক জগন্নাথে ক'লে।

হঠাৎ বিশাৰদে কৈ উঠিল, "দেউতা, তুমি ইমান চিন্তা নকৰিবাচোন। ৰজাৰ আশ্ৰয় পাবলৈ মই য'ৰপৰা, যাৰপৰা যেনেকৈয়েই নহওক অতি উত্তমকৈ সংস্কৃত শিকি ল'ম।"

"দেখিলা— ? তোমাৰ পুত্ৰই শুনিয়েই উঠি-পৰি লাগিব খুজিছে। তুমি মোৰ কথা বিশ্বাস কৰা, মোৰ কথা মিছা নহ'ব। মোৰ মুখৰ কথা মিছা হ'বই নোৱাৰে।" এই বুলি কৈ, ব'ৰাগী তাৰপৰা গুচি গ'ল।

*

জগন্নাথে ছেগা-চোৰোকাকৈ সংস্কৃত শিকিছিল। জগনাথে সিদিনাৰেপৰাই বিশাৰদক সংস্কৃত শিকাবলৈ ধৰিলে। কিন্তু বহু দিন ধৰি শিকোৱাৰ পাছতো বিশাৰদে এটা আখৰো শিকিব নোৱাৰিলে। জগন্নাথে এদিন তিতা-কেঁহা লাগি পৰিবাৰক ক'লে, "কি কৰোঁ কোৱাচোন ? ব'ৰাগীৰ কথামতে সংস্কৃত শিকিব পাৰিলে বিশাৰদে ৰজাৰ আশ্ৰয় পাব। কিন্তু সি একেবাৰে যাক বোলে মূঢ়া আমৰ হুহু।"

পৰিবাৰে ক'লে, "তুমি দেখোন মোকেই কিমান যে কথা বুজাই ক'ব নোৱাৰা ; তুমিনো তাক সমস্কিত শিকাবা কেনেকৈ ? এইবোৰ তোমাৰ দ্বাৰাই নহৈছে। তোমাৰ কথা শুনা। তুমি

তাৰ বাবে পণ্ডিত এজনক বন্দৰস্ত কৰোঁ।”

*

পৰিবাৰৰ কথা জগন্নাথে পাৰিতপক্ষে উলাই নকৰে। কিন্তু চণ্ডিকাপুৰত তো সংস্কৃত পণ্ডিত নাই। পিছে—নগৰত আছে এজন, তেওঁৰ নাম মাতাচৰণ। এই দেশৰ ৰাইজৰ মতে, মাতাচৰণে গৰু-ছাগলীকো সংস্কৃত শিকাব পাৰে।

*

জগন্নাথে ভাবি ভাবি বিশাৰদক লগত লৈ মাতাচৰণৰ ওচৰলৈ গ'ল। মাতাচৰণ পণ্ডিতে বিশাৰদৰ মূৰৰপৰা ভৰিলৈকে চাই লৈ জগন্নাথক ক'লে, “চোৱাঁ, সংস্কৃত ভাষা শিক্ষা হ'ল এক বিশেষ কলা। সংস্কৃতকৈ কঠিন ভাষা আৰু জগতত নাই। যি কি নহওক, তোমাৰ তোমাৰ পুত্ৰক মই দুবছৰৰ ভিতৰত মোৰ দৰে পণ্ডিত কৰি তুলিম। তেতিয়া চাবা, তাৰ আগত সংস্কৃত-বিদ্যাত কোনেও তিষ্ঠিব নোৱাৰিব।”

বিস্মিত জগন্নাথে ক'লে, “আপোনাৰ কথা শুনি অবাক মানিছোঁ। সপোন যেন লাগিছে। সি যদি সংস্কৃত শিকিব পাৰে—মোৰ জীৱনৰ একমাত্ৰ দুশ্চিন্তা দূৰতে বিদূৰ হ'ব।”

মাতাচৰণে ক'লে, “মই যদি তাক সংস্কৃতৰ পণ্ডিত কৰি তুলিব নোৱাৰোঁ, তোমাক মই কথা দিছোঁ—এই টোল মই বন্ধ কৰি দিম।”

*

আৰু পাছদিনাৰেপৰাই মাতচাৰণে বিশাৰদক সংস্কৃত শিকাবলৈ ধৰিলে। কিন্তু কিছুদিনৰ অন্তত মাতাচৰণ পণ্ডিতৰ জ্ঞানোদয় হ'ল যে বিশাৰদক বোন্দা থেকেচা দিও সংস্কৃত শিকাব নোৱাৰিব। কিন্তু নিশিকোৱাকৈ টোলৰপৰা খেদিলেও চোন টোলৰ বদনাম। কি কৰোঁ!

*

ইতিমধ্যে বিশাৰদে তাৰ মাতৃভাষাৰ

লগত ঃ, ঃ, এবং. তম্. বম্ ইত্যাদি সাঙুৰি যেতিয়াই-তেতিয়াই য'তে ত'তে যা-তা কৈছিল সংস্কৃতৰ নামত।

ডুবছৰৰ অন্তত পণ্ডিত মাতাচৰণে বিশাৰদক ক'লে, "বোপা বিশাৰদ, তোমাৰ সংস্কৃত শিক্ষা সম্পূর্ণ হৈছে। তোমাতকৈ অধিক সংস্কৃত জনা ভূ-ভাৰতত কোনো নাই—নোলাব। পিছে বোপা, সংস্কৃত হ'ল দেৱভাষা। এই ভাষাত য'তে ত'তে যাৰ তাৰ লগত মাত-বোল নকৰিবা, কেৱল ডাঙৰ ডাঙৰ পণ্ডিত লোকৰ লগতহে সংস্কৃতত মাত-বোল কৰিবা।"

বিশাৰদে বৰ ভাল পাই ক'লে, "গুৰুদেৱ, আপোনাৰ এই উপকাৰ মই জীৱনকালতো নাপাহৰোঁ। মই উপযুক্ত সময়ত গুৰুদক্ষিণা দিম।"

"কিন্তু বোপা, ক'তো কাৰো ওচৰত তোমাৰ গুৰু হিচাপে মোৰ নাম নল'বা, এয়া মোৰ বিশেষ অনুৰোধ।" গুৰু মাতাচৰণে বিশাৰদৰ ওচৰত খাটনি-লোটনিৰ ভংগীৰে ক'লে।

মাতাচৰণৰ অনুৰোধত সম্মতি জনাই, প্ৰণাম কৰি, টোল এৰি বিশাৰদ গুচি গ'ল। ঘৰ পাই বিশাৰদে তাৰ দেউতাকক ক'লে, "দেউতা, মোতকৈ ডাঙৰ সংস্কৃতজ্ঞ পণ্ডিত ভূ-ভাৰতত আন কোনো নাই বুলি মোক গুৰুৱে কৈছে।"

এই কথা শুনি, পুতেকক পৰীক্ষা



কৰি চোৰাৰ মন গ'ল জগন্নাথৰ ; কিন্তু দেউতাকে একো নৌ সোধোঁতেই পুতেকে কৈ উঠিল, "জানা, দেউতা—সাধাৰণ মানুহৰ লগত গুৰুদেৱে সংস্কৃতত কথা পাতিবলৈ নিষেধ কৰি দিলে মোক। কেৱল ডাঙৰ ডাঙৰ পণ্ডিতসকলৰ লগতহে মাত-বোল কৰিম। কিয়নো, সংস্কৃত হ'ল দেৱভাষা, যাৰ-তাৰ ভাষা নহয়।"

*

তাৰ পাছত এদিন বিশাৰদ ৰাজধানীলৈ বুলি ওলাল। বাটত স্বৰ্ণনগৰ নামৰ এখন নগৰত এজন গৃহস্থৰ ঘৰত দুটা দিনৰ বাবে আশ্ৰয় লোৱাত গৃহস্থনীয়ে তেওঁৰ গিৰিয়েকক গীতৰ তা না নাৰে ককৰ্থনা কৰিলে।

বিশাৰদে গিৰিহঁতনীক ক'লে, "মই যে এজন ডাঙৰ সংস্কৃতজ্ঞ পণ্ডিত সেই কথাটো নজনাতহে আপুনি তেনেকৈ তেওঁক ককৰ্থনা-বিকৰ্থনা কৰি আছে। জনাহেঁতেন মোৰ শ্ৰীচৰণ আপোনাৰ ঘৰত পৰাত আপুনি কৃতাৰ্থ বোধ কৰিলেহেঁতেন।"

এই বুলি কৈয়েই বিশাৰদে অসমীয়াৰ লগত অং ৰং চং অঃ কঃ থঃ তম্ ধম্ লম্ ইত্যাদি লগাই যি ক'লে, শুনি গিৰিহঁতনীৰ মুখৰ মাত হৰিল। হঠাৎ গিৰিহঁতনীয়ে বিশাৰদৰ ভৰিৰ ওচৰত আঁঠু কাঢ়ি বহি দিলে আৰু ক'লে, "দেউতা পৰভু, মই শপত খাই কৈছোঁ, মোৰ স্বামীক আৰু কোনোদিনে একো নকওঁ। মোক অভিশাপ নিদিব দেউতা!"

এই ঘটনাৰ ফলত বিশাৰদ তাৰ সংস্কৃত-জ্ঞান সম্পৰ্কে শতকৰা এশভাগ নিঃচিন্ত হ'ল। গিৰিহঁতে যেতিয়া শুনিলে যে গিৰিহঁতনীয়ে আৰু কোনোদিনে তেওঁক ককৰ্থনা নকৰে, তেতিয়া তেওঁ বিশাৰদ পণ্ডিতক দেৱতা বুলি ভাবি এশ সোণৰ মুদ্ৰাৰে মান ধৰিলে আৰু ক'লে, "আমাৰ ইয়াত পণ্ডিত কবিতানন্দক কোনোবাই সংস্কৃতত পৰাজিত কৰিব

পাৰিলে তেওঁ সেই মানুহজনক এহেজাৰ সোণৰ মুদ্ৰা উপহাৰ দিব।"

এই কথা শুনিয়েই বিশাৰদ তালৈ গ'ল আৰু গৈয়েই অং বং চংকৈ সংস্কৃতৰ জোৱাৰেৰে কৰিতানন্দক উটুৱাই লৈ গ'ল পৰাজয়ৰ সাগৰলৈ। শুনি কৰিতানন্দৰ চক ছুটিল। তেওঁ বিশাৰদক এহেজাৰ সোণৰ মুদ্ৰা দিলে আৰু ক'লে, "হেৰি, আপোনাৰ সংস্কৃত ইমান উচ্চখাপৰ যে ময়ো এই সংস্কৃতৰ বিন্দু-বিসৰ্গো বুজা নাই। যি কি নহওক, আপুনি এতিয়াই আমাৰ ৰজা বৰাহসেনৰ কাষ চাপক। তেওঁহে আপোনাৰ নিচিনা গুণী ব্যক্তিৰ শলাগ ল'ব পাৰিব।"



*

সাতদিন ধৰি খোজ কাঢ়ি বিশাৰদ ৰাজধানী পালেগৈ। তাত ৰজাৰ কাষ চপাৰ আগতে পণ্ডিত চতুৰপাদক লগ ধৰিব লাগিব। গ'ল বিশাৰদ চতুৰপাদৰ ওচৰলৈ। আৰু গৈয়েই "হেৰিং ডাংৰীয়াং শুনিচ্ছন্তি নে?" বুলি কৰিলে আৰম্ভ বিচিত্ৰ বিশাৰদী সংস্কৃত মাত-বোল।

পণ্ডিতশ্ৰেষ্ঠ চতুৰপাদে ক'লে, "ইমান মধুৰ সংস্কৃত ভাষা যে কিমান ভয়ংকৰ হ'ব পাৰে—তুমি তাৰ জীৱন্ত প্ৰমাণ। কিন্তু ৰজাই তোমাৰ মুখৰপৰা যদি এই সংস্কৃত শুনে—তোমাক মৃত্যুদণ্ডহে দিব। তুমি তোমাৰ ঘৰলৈ উভতি যোৱা।"

কিন্তু বিশাৰদে ৰাজদৰ্শন নকৰাকৈ গুচি নাযায়। তেতিয়া ৰজা অসুস্থ আছিল। ৰাজ-চিকিৎসকলে ঔষধ দিয়াত একো ফল নহ'ল। আৰু ঠিক এনে সময়ত তাত বিশাৰদ ওলালগৈ।

বিশাৰদৰ মুখৰপৰা আচৰিত ধৰণৰ সংস্কৃত শুনি ৰজা পোনতে ঠৰ লাগিল। তেওঁ সুধিলে, "তুমি কোন? মোৰ ওচৰত আহিছা কিয়?"

"মহাৰাজ, মোৰ নাম বিশাৰদ। মই সংস্কৃত ভাষাৰ মস্ত ডাঙৰ পণ্ডিত।

আপোনাৰ আনুকূল্য তথা আশ্ৰয়ৰ আশাতহে আপোনাৰ কাষ চাপিছোঁ।" বিশাৰদে ক'লে।

"ইমান কম বয়সত ইমান ডাঙৰ পণ্ডিত হ'লানো কেনেকৈ?" বৰাহসেনে অবাক হৈ প্ৰশ্ন কৰিলে।

বিশাৰদে পুনৰ তাৰ দক্ষতাৰ প্ৰমাণৰ বাবে সেই খিচিৰী সংস্কৃত পূৰাদমে আওৰাবলৈ ধৰাত ৰজাই হো হো কৰে হাঁহি উঠি সুধিলে, "তোমাৰ গুৰুৰ নাম কি কোৱাচোন?"

এই কথাৰ উত্তৰত বিশাৰদে ক'লে যে গুৰুৰ নাম কোৱাত গুৰুৰ নিষেধ থকাত সি গুৰুবাক্য অমান্য কৰিব নোৱাৰে। এইবোৰ কথাও বিশাৰদে তাৰ অংবং চংচং বিধৰ সংস্কৃতেৰে কৈ গ'ল।

ৰজাই বিশাৰদক বহুৰা বুলি ভাবি হাঁহিবলৈ ধৰিলে। ৰজাই বিশাৰদক ৰাজপ্ৰাসদতে থাকিবলৈ দিলে আৰু মাজনিশালৈকে তাৰ সংস্কৃত শুনি ৰঙতে হাঁহিয়েই থাকিল।

*

পাছদিনা ৰাজবৈদ্যই পুনৰ ৰজাক পৰীক্ষা কৰি ক'লে, "মহাৰাজ, আপোনাৰ শৰীৰত অসুস্থতাৰ লেশমানো নাই দেখোন! এনিশাৰ ভিতৰত কি হ'লনো? অতি আচৰিত কথা—কিন্তু আপুনি এতিয়া সম্পূৰ্ণ সুস্থ, মহাৰাজ।"

ৰাজবৈদ্যৰ কথা শুনি ৰজাই ক'লে, "হাঁহি দেখিছোঁ দৰবতকৈয়ো শক্তিশালী। বিশাৰদৰ সাংস্কৃতিক বহুৰালিয়েই মোক ভাল কৰি তুলিলে।"

বিশাৰদে ৰজাৰ আশ্ৰয় পোৱা হ'ল। ব'ৰাগীৰ কথা আখৰে আখৰে ফলিল। ৰসিক বহুৰা হিচাপে বিশাৰদৰ নাম দেশে-বিদেশে বৈ বৈ গ'ল; আৰু ৰজাৰপৰা উপহাৰ-পুৰস্কাৰ আদি পাই সিহঁতৰ আৰ্থিক অৱস্থাও টনকিয়াল হ'ল।

২

ধৱলগিৰিৰ ৰাজকোঁৱৰ চিত্ৰসেন চিকাৰলৈ ওলাই, বাট হেৰুৱাই পাহাৰৰ গুহাত এগৰাকী সিদ্ধ সাধকক লগ পালে। সিদ্ধ সাধকে চিত্ৰসেনক বাঁহৰ পাচি এটা দিছিল। এই পাচিটো আছিল মন্ত্ৰঃপূত। এঠাইত বহি পাচিটোৰ ঢাকনি খোলাৰ লগে লগে সেই ঠাইত এক বিৰাট শুভ্ৰ অট্টালিকা নিৰ্মিত হ'ল। আৰু লগে লগে ৰাক্ষস উগ্ৰাক্ষ তাত ওলালহি। ৰাক্ষস উগ্ৰাক্ষৰ দাবী অনুসাৰে ৰাজকোঁৱৰ চিত্ৰসেনে তেওঁ প্ৰথম সন্তান ওঠৰ বছৰীয়া হোৱাৰ লগে লগে উগ্ৰাক্ষক দিবলৈ মান্তি হ'ল; যদিও ৰাজকোঁৱৰ চিত্ৰসেনে তেতিয়ালৈকো বিয়া কৰোৱা নাছিল। তাৰ পাছত……

উগ্ৰাক্ষ যেতিয়া চৰ্ত মতে চিত্ৰসেনৰ অনিষ্ট নকৰাকৈ গুচি গ'ল, তেতিয়া ৰাজকোঁৱৰ চিত্ৰসেনে বৰ অসহায় হোৱা যেন পালে। তথাপি চিত্ৰসেন আগবাঢ়ি গৈ থাকিল। বহু কষ্টেৰে, পাহাৰ-পৰ্বত নৈ-অৰণ্য পাৰ হৈ, বহু দিনৰ অন্তত চিত্ৰসেন ধৱলগিৰিৰ সীমা পালেহি।

ক্লান্ত, বিষণ্ণ, অৱসন্ন চিত্ৰসেনে পশ্চিম আকাশলৈ চালে। বেলিয়ে লাহ দিয়াত আৰু বৰ বেছি সময় নাই। চিত্ৰসেনে

তেওঁৰ চকুৰ আগত এক বিৰাট অট্টালিকা দেখা পালে। লহিয়াব ধৰা বেলিৰ পোহৰ এই অট্টালিকাটোৰ ওপৰত পৰাত অট্টালিকাটোক উজ্জ্বল যেন লাগিছিল।

ৰাজকোঁৱৰ চিত্ৰসেনে ভাবিলে : কেনে ধুনীয়া এই অট্টালিকা! এই অট্টালিকাত এতিয়া, চাগৈ কেঁচা, বাদুলি আদিৰহে বাহ। এইবোৰ নানান ধৰণৰ কথা ভাবি ভাবি চিত্ৰসেন বহাৰপৰা উঠিল আৰু খোজ কাঢ়ি কাঢ়ি গৈ থাকিল।

হঠাৎ চিত্ৰসেনে পিছফালৰপৰা কোনোবাই মতা শুনিলে, "মহাৰাজ!"

এই গভীৰ অৰণ্যত কোনে কাক মহাৰাজ বুলি মাতিছে? চিত্ৰসেনে ভাবিলে : ইয়াত — এই নিজম-নিৰ্জন অৰণ্যতো মানুহ আছেনে কি? অলপমান আঁতৰত তিনিজন মানুহক থিয় হৈ থকা দেখা পালে। মানুহ তিনিজনক অভিজাত পৰিয়ালৰ মানুহ যেন লাগিল। মানুহ তিনিজনৰ মাজত এজনে চিত্ৰসেনক নমস্কাৰ কৰি ক'লে, "মহাৰাজ, আপুনি প্ৰাসাদলৈ উভতি নোযোৱাত আপোনাক বিচাৰি বিচাৰি অৱশেষত ইয়াত ইয়াত লগ পালোঁ।"

"মই—মহাৰাজ!" চিত্ৰসেনে যেনিবা আকাশৰপৰা দি কৈ উঠিল।

সেই তিনিজনৰ এজনে আন এজনক ক'লে, "মহাৰাজ অত্যন্ত ক্লান্ত। দোলা-ভাৰীহঁত ক'ত আছে?"

"মহামন্ত্ৰী, তুলীয়াহঁত গছ এজোপাৰ আঁৰত মোৰ নিৰ্দেশলৈ বৈ আছে। মই মাতিলেই আহি পাবহি।" সেনাপতিয়ে হাত চাপৰি বজাই বাহকহঁতক মাতিলে। আৰু লগে লগে দোলাভাৰীহঁত তাত উপস্থিত হ'লহি।

সেনাপতিয়ে সন্মানসহকাৰে মহামন্ত্ৰীক সম্বোধন কৰাত মহামন্ত্ৰীয়ে ৰাজকোঁৱৰ চিত্ৰসেনক ক'লেগৈ, "মহাৰাজ আপোনাৰ কাৰণে দোলা সাজু হৈয়েই আছে।

আপুনি অনুগ্ৰহ কৰি দোলাত বহকহি।"

মহামন্ত্ৰীৰ কথামতে ক্লান্ত চিত্ৰসেন দোলাত বহিলগৈ। চিত্ৰসেন দোলাৰ ভিতৰত বহাৰ লগে লগে মহামন্ত্ৰীয়ে দোলাভাৰীহঁতক ক'লে, "এইবাৰ আগ বাঢ়া।" তাৰ পাছত সেই অভিজাত তিনিজনৰ মাজত এজনক ক'লে, "হে কোষাধিকাৰী, আমাৰ মহাৰাজৰ পক্ষে এতিয়া বিশ্ৰামৰ বৰ প্ৰয়োজন। আৰু খবৰটো ৰাজপ্ৰাসাদতো এই মুহূৰ্ত্তে দিব লাগিবগৈ। এই মুহূৰ্ত্তত মহাৰাজৰ লগত অনে কোনো বিষয়ত আলোচনা কৰাটো উচিত নহ'ব।"

দোলাৰ ভিতৰত বহি চিত্ৰসেনে ভাবি থাকিল: মোৰ কেৱল ৰাজপ্ৰাসাদেই নহয়, সেনাপতি, মহামন্ত্ৰী, ধন-ভড়ালীও আছে। কিন্তু—এইবোৰ সঁচাকৈয়েই আছে নে মই দেখিছোঁ সপোন?

দোলাভাৰীহঁতে চিত্ৰসেনক নিৰ্দিষ্ট কক্ষলৈ লৈ গ'ল। চিত্ৰসেনে দোলাৰপৰা নামি, লৱণু-কোমল বিছনা আৰু মণি-মুকুতা খচিত কক্ষলৈ সোমাই হঠাৎ ভাবিলে: এইবোৰ কথা-কাণ্ড কিজানি সেই গুহাবাসী বৃদ্ধ সিদ্ধ সাধকৰ দান।

এই কক্ষত সোমোৱাৰ প্ৰায় লগে লগেই চিত্ৰসেনৰ স্নান আৰু আহাৰৰ বন্দৰস্ত হ'ল। কেইবাদিনো ধৰি অৰ্ধাহাৰ-অনাহাৰৰ ফলত চিত্ৰসেন বৰকৈ ভোকাতুৰ হৈ পৰিছিল। গতিকে তেওঁ বৰ তৃপ্তিৰে খোৱা-বোৱা কৰিলে। আৰু তাৰ পাছত তেওঁ ভাবিলে: এতিয়া মোৰ কৰ্তব্য কি?

এইবোৰ সাতে-সোতৰই ভাবি ভাবি চিত্ৰসেন টোপনিৰ জালত আছন্ন হৈ পৰিল। টোপনিৰপৰা যেতিয়া সাৰ পালে, তেতিয়া চিত্ৰসেনে ভাবিলে: কালি ৰাতি বৰ আয়মেৰে কটালোঁ। ইয়াৰ পাছতনো কি? —এনেতে মহামন্ত্ৰীয়ে চিত্ৰসেনক ক'লেহি, "মহাৰাজ, আপোনাৰ সুনিদ্ৰা হৈছিল আশা কৰিব পাৰোঁনে? এতিয়া—

আপোনাৰ অনুমতি পাওঁ যদি—আজিৰ কৰ্মসূচী সম্পৰ্কে আপোনাক ক'ব পাৰোঁ।"

দেশ, বা দেশৰ প্ৰজাবৰ্গৰ সম্বন্ধে চিত্ৰসেনে একোৱেই নাজানিছিল। ধৱলগিৰিৰ ৰজা আছিল তেওঁৰ পিতৃদেৱ। আৰু পিতৃদেৱৰ পাছত ৰজা হ'ব ককায়েক শূৰসেন। এই কথাটো সঠিককৈ জনাৰ কাৰণেহে চিত্ৰসেনে কেতিয়াও দেশ বা দেশৰ প্ৰজাবৰ্গৰ কথাত মূৰ নঘমাইছিল।

মন্ত্ৰীৰ কথা শুনি হঠাৎ চিত্ৰসেনে তেওঁৰ দেউতাকক সুঁৱৰিলে। তেওঁ ভাবিলেঃ দেউতা চাগে' অত্যন্ত অক্ষম হৈ পৰিল। আৰু সেই বাবেহে মহামন্ত্ৰীয়ে তেওঁক দেশৰ ৰজা পাতিছে। কিন্তু পাছ মুহূৰ্ততে চিত্ৰসেনৰ মনত পৰিল তেওঁৰ ককায়েক শূৰসেনৰ কথা। দেউতাকৰ যদি কিবা হৈছেও, সিংহাসনত শূৰসেনহে বহিব। দেউতাকৰ পাছত ককায়েক থকা হেতুকেহে চিত্ৰসেনৰ মনত কোনো-দিনে ৰজা হোৱাৰ কথাই ভূমুকি নামাৰিছিল। চিত্ৰসেনে ভাবিলেঃ মা-দেউতা নিশ্চয় মোৰ কথা ভাবি উদ্বিগ্ন হৈ উঠিছে। চিত্ৰসেনে মহামন্ত্ৰীক সুধিলে তেওঁৰ মাক-দেউতাকৰ কথা।

চিত্ৰসেনে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, আপুনি নিশ্চয় ধৱলগিৰি দেশৰ কথা জানে। সেই দেশৰ ৰজা তাৰেকেশ্বৰ কেনে আছে ক'ব পাৰিবনে? মই যে

ইয়াত ভালে-কুশলে আছোঁ, সেই খবৰটো তেওঁৰ ওচৰলৈ পঠোৱাৰ ব্যৱস্থা লওক। বাদ বাকী কথা পাছতো হ'ব।"

"আপোনাৰ পিতৃদেৱৰ ওচৰলৈ খবৰটো পঠোৱাৰ ব্যৱস্থা এতিয়াই কৰিছোঁ, মহাৰাজ! এতিয়া, আমাৰ ধন-ভড়ালত কিমান ধন আছে, তাৰ হিচাপ আপোনাৰ ওচৰত দাখিল কৰা হ'ব। তাৰ বাবে ধন-ভড়ালীক আপোনাৰ ওচৰলৈ পঠাই দিম বুলি অনুমতি ল'বলৈ আহিলোঁ।" মহামন্ত্ৰীয়ে ক'লে।

"ধন-ভড়ালী স্বয়ং আহিব নালাগে, হিচাপ লিখি পঠিয়াই দিলেই হ'ব।" চিত্ৰসেনে ক'লে।

অলপ সময়ৰ পাছত এজন ৰাজ, কৰ্মচাৰীয়ে চিত্ৰসেনৰ হাতত ধন-ভড়ালৰ হিচাপৰ তালিকা এখন দিলেহি। তালিকাত অসংখ্য মণি-মুকুতা, সোণৰ অলংকাৰ আৰু অন্যান্য ৰত্নৰ হিচাপ আছিল। চিত্ৰসেনে ভাবিলেঃ ইমান সম্পত্তি কিজানি মোৰ দেউতাৰো নাই।

সিদিনা গধূলি পৰতে ধন-ভড়ালত সোমাই চিত্ৰসেনে তালিকাৰ সৈতে মিলাই চাইছিল যত মণি-মুকুতা-ৰত্ন-অলংকাৰাদি। এনেতে এজন ৰাজকৰ্মচাৰীয়ে চিত্ৰসেনক ক'লেহি, "মহাৰাজ, ৰজা তাৰকেশ্বৰ সদলবলে এইফালে আহিব ধৰিছে।" এই কথা শুনাৰ লগেই লগেই চিত্ৰসেন



অট্টালিকাৰপৰা ওলাই আহি দেউতাক আদৰি আনিবলৈ আগবাঢ়ি গ'ল।

ৰজা তাৰকেশ্বৰে পুত্ৰ চিত্ৰসেনক বুকুত আঁকোৱালি লৈ ক'লে, "বোপা, শূৰসেনৰ মুখে তোমাৰ কথা শুনি তোমাক বাঘে খালে বুলিহে মোৰ ধাৰণা হৈছিল। এতিয়া তোমাক ইয়াত পাই মোৰ যে কিমান আনন্দ হৈছে—তোমাক বুজাই ক'ব নোৱাৰিম। কিন্তু মই লোকমুখে যি শুনিলোঁ—সঁচানে বাৰু? তুমি সঁচা-সঁচিকৈ এই ঠাইৰ ৰজানে কি? তুমি কেনেকৈনো এনে এক বিশাল ঐশ্বৰ্য্যময় অট্টালিকাৰ অধীশ্বৰ হ'লা? এই অট্টালিকাৰ গৰাকী তুমিয়েইনে বাৰু?"

চিত্ৰসেনে সম্মতিসূচক ভংগীৰে মূৰ দুপিয়ালে। তেতিয়া ৰজা তাৰকেশ্বৰে পুনৰ প্ৰশ্ন কৰিলে, "ইমান সহজভাৱে ইমান বিৰাট অঞ্চলৰ ৰজা হ'লা কেনেকৈ? ইয়াত থকা আগৰ ৰজাজন ক'ত আছে?"

"দেউতা আমি দুয়ো এঠাইত বহি লৈ, তোমাৰ প্ৰশ্নৰ উত্তৰ দিম। সকলোটিৰ আগত তোমাৰ প্ৰশ্নৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। কিছুমান এনে গুপুত কথা আছে—যিবোৰ কথা কেৱল তোমাকহে কোৱা সম্ভৱ।" চিত্ৰসেনে তেওঁৰ দেউতাকক সৰু সৰুকৈ ক'লে।

সেই নিশা ৰজা তাৰকেশ্বৰৰ সন্মানাৰ্থে বিৰাট আয়োজন কৰা হ'ল। বহু মানুহক আমন্ত্ৰণ কৰা হ'ল উৎসৱলৈ। সেই অঞ্চলৰ আঞ্চলিক নৃত্য-গীতৰো বন্দৱস্ত কৰা হ'ল। চিত্ৰসেন যে ৰজা তাৰকেশ্বৰৰ পুত্ৰ—এই কথা শুনি সেই অঞ্চলৰ ৰাইজ আনন্দিত হ'ল।

দীৰ্ঘ সময় ধৰি উৎসৱৰ-অনুষ্ঠান চলি থাকিল। সেই ছেগতে, চিত্ৰসেনে তেওঁৰ দেউতাকক সকলো ঘটনাৰ কথা ক'লে। সিংহৰ গৰ্জন শুনি ঘোঁৰাটোৱে ভয় খোৱাৰ কথা, সিদ্ধ সাধকৰ কথা, সিদ্ধ সাধকে দিয়া মন্ত্ৰঃপূত পাচিটোৰ কথা—যি-

প্ৰতিশ্ৰুতি অনুসাৰে চিত্ৰসেনে তেওঁৰ প্ৰথম সন্তানটিক উগ্ৰাক্ষক দিব লাগিব— সেইবোৰ কথাও ভাঙি-পাতি ক'লে।

এই কথা শুনি ৰজা তাৰকেশ্বৰে তৰধ মানি ক'লে, "তুমি বলিয়া হৈছিলানে কি? যি কি নহওক — তোমাৰ এতিয়ালৈকো বিয়াহি হোৱা নাই, গতিকে পুত্ৰৰ প্ৰশ্ন নুঠে। কিন্তু বিয়া কৰোৱা নাই বুলিয়েই এনেকুৱা এক অবিশ্বাস্য অসৎ চৰ্তত মান্তি হ'ব লাগেনে? বিয়া হওক বা নহওকেই—তোমাৰ প্ৰথম সন্তানক এটা ৰাক্ষসক দিয়াৰ চৰ্তত সন্মত হোৱাটো একোপধ্যে উচিত হোৱা নাই।" চিত্ৰসেনৰ পিতৃ তাৰকেশ্বৰে ক'লে।

"তুমি ইমান দমি গৈছা কিয়, দেউতা? মই বিয়া কৰোৱাও নাই, কেতিয়া যে কৰাম তাৰো ঠিক নাই। এনে অৱস্থাত ৰাক্ষস উগ্ৰাক্ষক দিয়া প্ৰতিশ্ৰুতি মূল্য কি? বিয়াৰ পাছত প্ৰথম সন্তান যদি ল'ৰা হয়, তেহে ৰাক্ষসটোক দিব লাগিব। তিমানতে ময়ো নিশ্চয় কিবা এটা কায়দা-কিটিপ উলিয়াই ল'ম এই বিপদৰপৰা ৰেহাই পাবলৈ। এই কামত মই যে সফল হ'ম— সেই কথাত মই নিশ্চিন্ত।" চিত্ৰসেনে দৃঢ়তাৰে ক'লে।

কিন্তু পুত্ৰৰ কথাত ৰজা তাৰকেশ্বৰে মুঠেই ভাল নোপোৱা হ'ল। পুত্ৰই ৰাক্ষস উগ্ৰাক্ষক হত্যা কৰাৰ কথা ভাবিছে বুলি বোধ হ'ল তেওঁৰ। কিন্তু এই কামটো যে বৰ সহজ নহ'ব, সেই কথা উপলব্ধি কৰি ৰজা তাৰকেশ্বৰে তেওঁৰ পুত্ৰ চিত্ৰসেনক ক'লে, "তুমি অকলেই সকলো সমস্যাৰ সমাধান কৰিব পাৰিবা বুলি মই নাভাবোঁ। কৈ থওঁ, কেতিয়াবা যদি বিপদত পৰা, তেন্তে হ'লে সহায় বিচাৰি তৎক্ষণাৎ মোলৈ-বাতৰি পঠাবলৈ পলম নকৰিবা। [অহা সংখ্যাত

প্ৰেৰণা

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালৰপৰা শটো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা বিক্ৰমাদিত্য, আন কাৰোবাৰ উন্নতিত ঈৰ্ষান্বিত হৈ, নিজৰ উন্নতিৰ বাবে তুমি ইমান কাল ধৰি এনে অপৰিমেয় শ্ৰম কৰিছানে ? নে কিবা অসাধাৰণ শক্তিসম্পন্ন বস্তু পোৱাৰ আশাৰে এনেহেন শ্ৰম কৰি আছা ? এই বিষয়ত এগৰাকী পিতৃ আৰু তেওঁৰ পুত্ৰৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে, আন একো উপকাৰ নহওক, তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

লবংগদেশত অনেক ৰজা আছিল।

'বেতাল-কথা'

কেইবাটাও অঞ্চল কেইবাজনো ৰজাই শাসন কৰিছিল। এক অঞ্চলৰ ৰজা আছিল চক্ৰভূপতি। তেওঁৰ কোনো সতি-সন্ততি নাছিল। তেওঁ সদায় ভাবিছিল ঃ মোৰ মৃত্যুৰ পাছত মোৰ সা-সম্পদ কোনে ভোগ কৰিব? সন্তান লাভৰ বাবে তেওঁ অনেক তীৰ্থ ভ্ৰমি, অনেক দেৱ-দেৱীক পূজিলে; কিন্তু তথাপি ৰজা চক্ৰভূপতিয়ে একোপধ্যে এটি সন্তান নাপালে।

চক্ৰভূপতিৰ গোপাল নামৰ এজন লিগিৰা আছিল চক্ৰভূপতিৰ বয়সৰ। তাৰো ল'ৰা-ছোৱালী নাছিল। চক্ৰভূপতিয়ে গোপালক বৰ ভাল পাইছিল। মাজে-মধ্যমে দুয়ো সুখ-দুখৰ কথা, দুয়োজনেৰে সতি-সন্ততি নথকাৰ কথা পাতিছিল, আৰু তেতিয়া কোন ৰজা কোনেইবা লিগিৰা বুজা টান হৈছিল, দুয়োৰো হৃদয় হৈ পৰিছিল বেদনাগধুৰ।

*

এইদৰে, বহু বছৰ পাৰ হৈ যোৱাৰ পাছত চক্ৰভূপতিৰ অঞ্চলত এগৰাকী ডাঙৰ সাধু আহিল। সাধুৱে হেনো সকলো সমস্যাৰ সঠিক সমাধান দিয়ে। ৰজা চক্ৰভূপতিয়ে ৰাণী চন্দ্ৰিমাক লগত লৈ সেই মহান সাধুৰ কাষ চাপিল।

সাধুৱে ৰাণী চন্দ্ৰিমাৰ হস্তৰেখা বিচাৰ কৰি, এটা তাৱিজ দিলে আৰু আশীৰ্বাদ কৰি ক'লে, "সন্তান নোহোৱাত হতাশ নহ'বা। এই তাবিজ ধাৰণ কৰিলে নিশ্চয় সন্তান হ'ব।"

আৰু পাছদিনা গোপালৰ ঘৈণীয়েকো সাধুৰ ওচৰলৈ গ'ল। সাধুৱে গোপালৰ ঘৈণীয়েককো তাৱিজ দিলে আৰু আশীৰ্বাদ কৰি একেইবোৰ কথা ক'লে।

*

এবছৰৰ অন্তত চক্ৰভূপতি আৰু গোপালো পুত্ৰৰ পিতৃ হ'ল। দুয়োৰো মনত আনন্দৰ জোৱাৰ। দুয়োজনেই নিজ নিজ ক্ষমতা অনুসাৰে মানুহ মাতি ভোজ

খুৱালে। চক্ৰভূপতিৰ পুত্ৰৰ নাম হ'ল সূৰ্য্যভূপতি আৰু গোপালে তাৰ পুতেকৰ নামকৰণ কৰিলে—চন্দ্ৰ।

সূৰ্য্য আৰু চন্দ্ৰ ডাঙৰ-দীঘল হৈ থাকিল। চক্ৰভূপতিয়ে তেওঁৰ পুত্ৰক অতি আদৰ-যত্ন তথা প্ৰাচুৰ্য্যেৰে লালন-পালন কৰি থাকিল ; আনহাতে গোপালে তাৰ পুত্ৰ চন্দ্ৰক দুখ-দাৰিদ্ৰ্যৰ মাজেদি ডাঙৰ কৰি থাকিল। অলপ ডাঙৰ হোৱাৰ পাছত গোপালৰ ল'ৰা চন্দ্ৰই বুজিব পৰা হ'ল যে তাৰ দেউতা হ'ল ধনৰ দুখীয়া।

*

কিন্তু বয়সে যেতিয়া পোন্ধৰৰ ডেওনা পালে, তেতিয়া দেখা গ'ল যে সূৰ্য্য আৰু চন্দ্ৰৰ মাজত লিখা-পঢ়াৰ ক্ষেত্ৰত আকাশ আৰু পাতালৰ প্ৰভেদ! সূৰ্য্যই বিদ্যালয়তে নগৈছিল, ঘৰতো লিখা-পঢ়া নকৰিছিল। আনকি পোন্ধৰ বছৰ বয়সতো সূৰ্য্যৰ আখৰজ্ঞানো নহ'ল। আনহাতে, চন্দ্ৰৰ সদায় লিখাপঢ়ালৈ মন। নিচেই কম বয়সৰেপৰাই চন্দ্ৰই লিখন-পঢ়নত নিজৰ যোগ্যতাৰ প্ৰমাণ দিব পাৰিছিল। তাক শিক্ষকসকলে ভাল পাইছিল, আৰু প্ৰতিজন শিক্ষকেই চন্দ্ৰৰ জীৱনত প্ৰকৃত উন্নতি কামনা কৰিছিল।

এইবোৰ কথা-কাণ্ড দেখি আৰু শুনি, গোপালৰ প্ৰতি ৰজা চক্ৰভূপতি ঈৰ্ষান্বিত হৈ উঠিল। চক্ৰভূপতিয়ে ভাবিলে : মোৰ এটা চাকৰৰ ল'ৰাৰ ইমান উন্নতি! এয়া অসহ্য!

চক্ৰভূপতিয়ে নতুনকৈ তেওঁৰ পুত্ৰ সূৰ্য্যক লিখা-পঢ়া শিকাবলৈ যো-জা কৰিলে। কিন্তু তেওঁ কেতিয়াবা কেতিয়াবা ভাবিছিল : লিখা-পঢ়াৰ কাৰণে তাক যদি ককৰ্থনা কৰোঁ, বা মৰিয়াও, সি যদি ঘৰ এৰি ক'ৰবালৈ গুচি যায়গৈ? আনকি বৰকৈ ধমকি-ডাবি মাৰিলেও চাগৈ সি নোখোৱাকৈ থাকিব। —এইবোৰ কথা ভাবি চক্ৰভূপতিয়ে সূৰ্য্যক বুজাই-বৰাই

লিখাপঢ়া শিকাবলৈ চেষ্টা কৰিছিল।

কিন্তু যিমানেই বুজাওক কিয়, সি আনকি আখৰৰ কাবো নাপালেগৈ; তাৰ মনৰ একো পৰিৱৰ্তন নহ'ল।

ইপিনে—চন্দ্ৰৰ শিক্ষকসকলে চন্দ্ৰক উচ্চশিক্ষাৰ বাবে কাশীলৈ যাবলৈ ক'লে। চন্দ্ৰই এই কথা দেউতাক'কোৱাত দেউতাক গোপালে তাক ক'লে, "চোৱা, চন্দ্ৰ, তুমি কাশীলৈ যাব পাৰা যদি, তাতো চাগৈ সকলোটিৰপৰা মৰম পাবা, তোমাৰ থকা-খোৱাৰো অসুবিধা নহ'ব। কিন্তু কাশী বহু দূৰৰ বাট, তালৈ যোৱাৰ ঢেৰ খৰচ। গাড়ী-ভাড়া, খোৱা-খৰচ—এইবোৰ মই ক'ৰপৰা কেনেকৈ যোগাৰ কৰি দিম? মোৰ দৰে চাকৰ এটাৰ পক্ষে ইমান ধন সংগ্ৰহ কৰাটো কেতিয়াও সম্ভৱ হ'বনে?"

দেউতাকৰ কথাৰ উত্তৰত চন্দ্ৰই একো ক'ব নোৱৰা হ'ল। সি আমন-জিমনকৈ বহি থাকিল।

•

যিগৰাকী শিক্ষকে চন্দ্ৰক উচ্চশিক্ষাৰ বাবে কাশীলৈ যাবলৈ কৈছিল, সেই শিক্ষকগৰাকীয়ে চন্দ্ৰৰ দেউতাক গোপালক ক'লে, "গোপাল, টকা-পইচাৰ অভাৱৰ কাৰণে তুমি বোলে চন্দ্ৰক কাশীলৈ নপঠোৱাটোকে সাব্যস্ত কৰিছা? জানি থোৱা, আচাৰন্তসকলৰ ন'বাইতকৈ



তোমাৰ ল'ৰাটো বিদ্যাই-বুদ্ধিয়ে ঢেৰ বেছি চোকা। সি কাশীলৈ গৈ উচ্চশিক্ষা লয় যদি—যথেষ্ট সুনাম আৰ্জিব পাৰিব। তুমি তোমাৰ সৰ্বস্ব বন্ধকত থৈয়ো তাক কাশীলৈ পঠোৱাৰ দিহা কৰা।"

শিক্ষকৰ কথা শুনি, বহুতোপৰলৈকে ভবা-গুণা গুণা-গঁথা কৰি গোপালে চন্দ্ৰক যেনেতেনে কাশীলৈ পঠোৱাটোকে খাটাং কৰিলে।

আৰু গোপালে তাৰ গৰাকী চক্ৰভূপতিৰ ওচৰত তৎক্ষণাৎ এই কথাৰ বকলা মেলিলেগৈ।

সকলো কথা শুনাৰ অন্তত চক্ৰভূপতিয়ে ক'লে, "চোৱা, গোপাল, তুমি তোমাৰ ল'ৰাটোৰ উচ্চশিক্ষাৰ বাবে মোৰপৰা ধাৰ হিচাপে ধন খুজিছা। কিন্তু তুমি ধাৰৰ ধন শুজিবানো কেনেকৈ? বৃদ্ধ বয়সত বহুতৰে মতিভ্ৰম হয়, তোমাৰো হৈছে। তুমি বুঢ়া হ'লা, যেতিয়াই তেতিয়াই তোমাৰ মৃত্যু হ'ব পাৰে। আৰু মাহেকে-পষেকে খুচুৰ-খুচুৰকৈ দি থাকিলে তুমি কিমান কালতনো শুজিবা? নোৱাৰিবা। আৰু ঋণগ্ৰস্ত অৱস্থাত মৰা যদি—পুন্নাম নৰকত জীয়াতু ভুঞ্জিবা। তাতকৈ এটা কাম কৰা। নিৰ্বলীৰনো কিহৰ হতাহতি, দুখীয়াৰনো কিহৰ মাতামাতি? তাৰ পঢ়ন বাদ দি কিবা কৰণৰ কথা, মানে—কাম-বনৰ কথা চিন্তা



কৰা। সি যদি কামত ধৰে, তাৰে তোমাৰো কাম হ'ব।"

চক্ৰভূপতিৰ কথা শুনি, তলমূৰ হৈ, গোপাল তেতিয়াই গুচি গ'ল।

কিন্তু গোপালক এনেবোৰ কটু কথা কৈ, চক্ৰভূপতিৰো বেয়া লাগি গ'ল। উদ্যানলৈ গৈ তাত এনেয়ে পাইচাৰি কৰি থাকিল। পাইচাৰি কৰি কৰি ভাগৰি-জুগৰি এজোপা গছৰ তলত বহিবলৈ লওঁতেই অলপ আঁৰতৰত তেওঁৰ পুত্ৰ সূৰ্য্য আৰু গোপালৰ ল'ৰা চন্দ্ৰক কথা পতা দেখি, কৌতূহলী হৈ, এজোপা ডাঙৰ গছৰ আঁৰত থিয় হৈ কান সৰালি দি শুনি থাকিল।

সূৰ্য্যই খহটা মাতেৰে চন্দ্ৰক কৈ আছিল, "উচ্চশিক্ষাৰ বাবে কাশীলৈ যোৱাৰ কথাত মই কিন্তু একেবাৰেই ভাল পোৱা নাই। দুখীয়াৰ ঘৰৰ ল'ৰাইন্যে জোনলৈ হাত বঢ়ায় কিয়? ওহোঁ, তোমাৰ কাশীলৈ যোৱা নহৈছে।"

সূৰ্য্যৰ কথাৰ উত্তৰত চন্দ্ৰই মিঠাকৈ শান্ত কণ্ঠেৰে কলে, "তুমি মোক যাবলৈ মানা কৰিছা, কিন্তু মোৰ দেউতাই দেখোন ভীষণ প্ৰতিজ্ঞা কৰিছে—মোক কাশীলৈ পঠা—বই তেওঁ। দেউতাই ধাৰ খুজিবলৈ তোমাৰ দেউতাৰাৰ ওচৰলৈ গ'ল। মোৰ উৰ্চ্চশিক্ষাৰ বাবে তেওঁ নিশ্চয় কিবা এটা ব্যৱস্থা কৰিবই।"

"শুনা—" সূৰ্য্যই ক'লে, "ধাৰৰ ধনেৰে উচ্চশিক্ষা গ্ৰহণ নকৰাই ভাল। মানুহেনো কি ক'ব? লেই লেই ছেই ছেই কৰিব। তাতকৈ—তুমি চাকৰি কৰা, মাহে মাহে টকা পাবা, তোমালোকৰ দুখ-দাৰিদ্ৰ্য কিঞ্চিৎ পৰিমাণে হ'লেও গুচিব। তোমাৰ কথা শুনি আৰু কাশীলৈ যোৱাৰ লোভ দেখি মোৰ কিন্তু উগ্ৰ খংহে উঠিছে। তুমি মোৰ চকুৰ আগৰপৰা এতিয়াই গুচি যোৱা।" এই বুলি কৈ, সূৰ্য্যাই নিজেই তাৰপৰা দুপদুপাই গুচি গ'ল।

সূৰ্য্য গুচি যোৱাৰ মুহূৰ্ত্ততে সূৰ্য্যভূপতিৰ মনত এক বিশেষ ভাব উপস্থিত হ'ল। তেওঁ প্ৰাসাদলৈ উভতি গৈয়েই গোপালক মতাই অনাই ক'লে, "গোপাল, পাঁচশ সোণৰ মুদ্ৰা লোৱা, তোমাৰ ল'ৰাটোক কাশীলৈ পঠোৱা। আজিৰপৰা চন্দ্ৰৰ উচ্চশিক্ষাৰ ব্যয় ময়েই বহন কৰিম। এয়া ধাৰ নহয়, দান হিচাপে গণ্য কৰিবা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা বিক্ৰমাদিত্য, হঠাৎ চক্ৰভূপতিৰ এনে পৰিৱৰ্ত্তন হ'ল কিয়? চন্দ্ৰ লিখা-পঢ়াত ভাল হোৱাত চক্ৰভূপতি ঈৰ্ষান্বিতহে আছিল, গোপালৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। কিন্তু তাৰ পাছত কিয় চন্দ্ৰৰ উচ্চশিক্ষাৰ ব্যয় বহন কৰাৰ দায়িত্ব গাত ল'লে? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তোমাৰ মূৰ চাৰিফাল হ'ব।"

এই প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "চন্দ্ৰ আৰু সূৰ্য্যৰ মাজত হোৱা কথা খিনিয়েহে চক্ৰভূপতিৰ মনত নতুন চিন্তাৰ ঢৌ তুলিছিল। উচ্চশিক্ষালৈ চন্দ্ৰৰ ধাউতি, দৃঢ়তাই যে' সূৰ্য্যক বিচলিত কৰি তুলিছিল, সেই কথালৈ চক্ৰভূপতিয়ে মন নকৰাকৈ নাছিল। পুত্ৰৰ মনত যুক্তিৰ বীজ ৰোপিত হোৱা দেখিয়ে চক্ৰভূপতিয়ে চন্দ্ৰক সহায় কৰিবলৈ আগ বাঢ়িছিল। ভূপতিয়ে ভাবিছিল—চন্দ্ৰৰ সফলতাই এদিন তেওঁৰ পুত্ৰ কমলকো নিশ্চয় পৰিৱৰ্ত্তিত কৰিব। এই কাৰণেই, সূৰ্য্যৰ চকুৰ আগত আদৰ্শ দৃষ্টান্ত স্থাপন কৰিবলৈ চন্দ্ৰৰ উচ্চশিক্ষাৰ দায়িত্ব স্বেচ্ছাৰে মূৰ পাতি লৈছিল অনিচ্ছুক চক্ৰভূপতিয়ে। তেওঁৰ নিজৰ পুত্ৰৰ পৰিৱৰ্ত্তনৰ আশাৰেহে তেওঁ এই প্ৰেৰণা পাইছিল।"

ৰজা বিক্ৰমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



কথা আৰু কাম

গাঁৱৰ নাম ৰামপুৰ। ৰামপুৰ গাঁৱত এখন ধৰমশালা—অৰ্থাৎ তীৰ্থযাত্ৰীসকল থকা ঠাই আছে। এদিন ৰামপুৰলৈ এজন সাধু আহিল। সাধুজনে ধৰমশালাৰ বাৰাণ্ডাত আশ্ৰয় ল'লে। এই সাধুৰ ওচৰত সদায় মানুহৰ আহ-যাহ। সাধুৱে এওঁলোকক চুটি চুটি কাহিনী কয়, এইবোৰ কাহিনীত ধৰ্ম, ন্যায় ইত্যাদিৰ কথা থাকে, সমজুৱাক জ্ঞান দান কৰে, সুবুদ্ধি দিয়ে। সাধুৰ অনুৰোধ মতে, এওঁলোকে সাধুক এমুঠিকৈ চাউল আৰু পাঁচটাকৈ পইচা দিয়ে।

এইদৰে কিছুদিন পাৰ হোৱাৰ পাছত গাঁৱৰ সত্যশৰণ নামৰ শিক্ষিত যুৱক এজনে সাধুক প্ৰণাম কৰি ক'লে, "সাধুজী, আমাৰ ৰামপুৰৰ বহু বেয়া মানুহকো আপুনি নিৰন্তৰ চেষ্টাৰে ভাল কৰি তুলিলে। আগতে গাঁৱত যিমান দ্বন্দ্ব-খৰিয়াল, মাৰপিট, চুৰি-তাৰি হৈছিল, এতিয়া সেইবোৰ নহয় বুলিয়েই ক'ব পাৰি। পিছে—আপোনাক এটা প্ৰশ্ন সুধিবৰ মন।"

"তুমি নিৰ্ভয়ে প্ৰশ্ন কৰিব পাৰা, বোপা।" সাধুৱে ক'লে।

"মানুহে যাতে আশাৰ সীমা চেৰাই দুৰাশালৈ আগুৱাই নাযায়, ধনৰ লোভ যাতে নকৰে—আপুনি এইবোৰহে শিক্ষা দিয়ে; কিন্তু আপুনি নিজেই দেখোন সমূহ ৰাইজক চাউল আৰু পইচা-পাতি লৈ আহিবলৈ কয়, আৰু প্ৰত্যেকে যাতে সেইবোৰ আনে, তালৈ নিশ্চয় আশা পালি থাকে। আপোনাৰ কথা আৰু কামৰ মাজত কিবা পাৰ্থক্য আছেনে কি?"

সাধুৱে সত্যশৰণৰ প্ৰশ্নৰ উত্তৰত ক'লে, "বোপা, তোমাৰ কথা মতে—মই গাঁৱৰ ৰাইজৰ কিঞ্চিত উপকাৰ কৰিলোঁ। কিছুদিনৰ পাছত মই আন কোনোবা গাঁৱলৈ যাম, তেওঁলোকৰো উপকাৰ সাধিবলৈ চেষ্টা কৰিম। ময়ো তো জীয়াই থাকিব লাগিব, সেয়েহে এইখিনি ৰাইজৰ-পৰা খুজি লওঁ। নহ'লেনো মই কেনেকৈ জীয়াই থাকিম, কোৱাঁ?" পাছদিনাৰেপৰাই সত্যশৰণৰ উদ্যোগৰ ফলত সাধুৱে তেওঁৰ আৱশ্যকীয় সকলো বস্তু-সামগ্ৰী পাই থাকিল।



শ্ৰীৰংগম

বিষ্ণুৰ নশ নিৰনব্বৈটি নাম, তাৰে এটি হ'ল ৰংগনাথ। দক্ষিণ ভাৰতত বিষ্ণুৰ এই নামটিয়েই সৰ্বাধিক প্ৰচাৰিত। তাত শ্ৰীৰংগম মন্দিৰত ৰংগনাথৰ মূৰ্তি আছে। এসময়ত এই মূৰ্তি হেনো অযোধ্যানগৰত আছিল আৰু শ্ৰীৰামচন্দ্ৰৰ উপৰিপুৰুষসকলে পূজিছিল।

ৰাৱণ-নিধনৰ অন্তত সীতাক লগত লৈ ৰামচন্দ্ৰ যেতিয়া অযোধ্যালৈ উভতি আহিছিল, তেতিয়া বিভীষণক ৰামচন্দ্ৰই লগত লৈ আহিছিল। অযোধ্যাৰ ৰাজপ্ৰাসাদত ৰংগনাথৰ মূৰ্তি দেখি বিভীষণ বিস্মিত হোৱাত ৰামচন্দ্ৰই সেই মূৰ্তিটি বিভীষণক উপহাৰস্বৰূপে দিছিল।

লংকালৈ যোৱাৰ আগতে এই মূৰ্তিটিক মাটিত নথ'বলৈ ৰামচন্দ্ৰই বিভীষণক টানি কৈছিল ; কিন্তু শ্ৰীৰংগমত বিভীষণে মূৰ্তিটি মাটিত থ'বলৈ বাধ্য হ'ল। কিন্তু সেই মূৰ্তিটি বিভীষণে তাৰপৰা আৰু একোপধ্যে দাঙিব নোৱাৰিলে।



শ্ৰীৰংগমত এই মূৰ্তিৰ বাবে মন্দিৰ নিৰ্মিত হ'ল। পৰৱৰ্তীকালত এই মন্দিৰ তীৰ্থক্ষেত্ৰ হৈ উঠিল। মন্দিৰত থকা এই অপৰূপ বিষ্ণু-বিগ্ৰহই অসংখ্য ভক্তক তৃপ্ত কৰিলে। অণ্ডাল (গোদাদেৱী) নামৰ এগৰাকী ভক্তিমতীয়ে ৰংগনাথক পূজি ৰংগনাথৰ মাজতে লীন হৈ গ'ল।

এই মন্দিৰক কেন্দ্ৰ কৰি বহুতো সাংস্কৃতিক প্ৰতিষ্ঠান ইয়াত গঢ় লৈ উঠিল। বিশ্ববিখ্যাত তামিল কবি কাম্বনে ইয়াত বহি ভক্তসকলক ৰামায়ণ পাঠ কৰি শুনাইছিল।

বাৰ শতিকাত দিল্লীৰ কোনোবা এজনী ছুলতানে এই মন্দিৰ আক্ৰমণ কৰি মূৰ্তিটি মন্দিৰৰপৰা লৈ যাবলৈ যো-জা কৰিলে। কিন্তু ভক্তসৱে আচল মূৰ্তিটি গুপুতে তিৰুপতিলৈ লৈ যোৱা বাবে, ছুলতানে নকল মূৰ্তি এটাহে দিল্লীলৈ লৈ যাব পাৰিছিল।

ৰামানুজ গ'ল দিল্লীৰ ছুলতানৰ ওচৰলৈ এই মূৰ্তিটি তাৰপৰা ওভোতাই আনিবলৈ। ছুলতান সন্মত হোৱাত সেই মূৰ্তিটি পুনৰ শ্ৰীৰংগমলৈ লৈ অহাৰ চেষ্টা কৰা হৈছিল।





ছুলতানৰ কন্যাই এই মূৰ্তিটিক হেনো বৰ ভাল পাইছিল। গাড়ী এখনত উঠাই গাড়ীখন আগুৱাই লৈ যাবলৈ চেষ্টা কৰাত গাড়ীখন পিছুৱাইহে গৈ থাকিল। এই ঘটনাৰ ফলত কিছুমান মুছলমান পৰিয়ালে শ্ৰীৰংগম মন্দিৰলৈ প্ৰবেশৰ অনুমতি পোৱা হৈছিল।

ছুলতানৰ বীৰ সেনাপতিয়ে শ্ৰীৰংগম্ মন্দিৰটোক চূৰ্ণ কৰাৰ চক্ৰান্ত কৰাৰ কথা কেনেবাকৈ মন্দিৰৰ দেৱদাসী এগৰাকীয়ে জানিব পাৰিলে। দেৱদাসীয়ে কাণ সৰালি মাৰি সেনাপতি আৰু তাৰ অনুচৰইঁতৰ কথা শুনিছিল।



এই দেৱদাসীয়ে মন্দিৰৰ চূড়াত এক আজব বস্তু দেখুৱাবৰ প্ৰলোভনেৰে সেনাপতিক মন্দিৰৰ চূড়ালৈ লৈ গ'ল। সেনাপতি এচটা শিলৰ ওপৰত থিয় হৈ থাকোঁতে দেৱদাসীয়ে শিলচটা হঠাৎ আঁতৰাই দিয়াত সেনাপতি মন্দিৰৰ চূড়াৰপৰা বাগৰি পৰিল আৰু মৃত্যু হ'ল।

শ্ৰীৰংগম্ মন্দিৰত সাতখন তোৰণ আৰু এক সহস্ৰ স্তম্ভ আছে। মন্দিৰৰ গাত অসংখ্য মূৰ্তি খোদিত আছে। এইবোৰ তেতিয়াৰ দিনৰ শিল্প-নৈপুণ্যৰ নিদৰ্শন।



এই মন্দিৰত অনুষ্ঠিত উৎসৱসমূহৰ মাজত বৈকুণ্ঠ একাদশীৰ উৎসৱেই হ'ল সৰ্বশ্ৰেষ্ঠ। যোগমায়া স্বৰূপিনী একাদশী দেৱীয়ে 'মুৰ' নামৰ এক ভয়ানক ৰাক্ষসক বধ কৰিছিল। বধ কৰাৰ দিনটো আছিল একাদশী। এই একাদশীৰ দিনা শ্ৰীৰংগনাথে দৰ্শন দিয়ে বুলি ভক্তসৱৰ গভীৰ বিশ্বাস।

কাপুৰুষ-মহাপুৰুষ

কাজিয়াখোৰ কণবাপুৱে অনাহকতে লোকৰ লগত কাজিয়া কৰিছিল, আৰু কাজিয়া কৰি সি বৰ ভাল পাইছিল। ইফালে সূৰ্য্য আৰু সিফালে মলয় আছিল কণবাপুহঁতৰ চুবুৰীয়া। সিহঁতে যাতে কাজিয়া কৰে তাৰ বাবে কণবাপুৱে সদায় চেষ্টা কৰিছিল, খঁৰা দা জোকাৰিছিল।

কিন্তু কণবাপুৱে যিমানেই যি নকৰক, মলয়ে তালৈ কেৰেপো নকৰে, একো নকয়ও। পিছে—সূৰ্য্যৰ কথা স্বতন্ত্ৰ। সূৰ্য্যাই কণবাপুৰ কটুৰ কথা নসহে। তাৰ ফলত কণবাপু আৰু সূৰ্য্যৰ মাজত ঘণ্টাৰ পাছত ঘণ্টা ধৰি কাজিয়া চলিছিল।

কণবাপুৱে সূৰ্য্যৰ ঘৰৰ আগত থিয় হৈ চিঞৰি চিঞৰি কৈছিল, "ঘৰৰ ভিতৰত কিমানপৰ থাকিবি ওলালেই মাৰি পেলাম।"

কেৱল কাজিয়া-কন্দলেই নহয়, কণবাপুৱে আন কিছুমান লেতেৰা কামো কৰিছিল। মলয় আৰু সূৰ্য্যৰ ঘৰৰ আগত জাবৰ-জোথৰ দ'মাই থৈছিল—কাজিয়া এখন লগাবলৈহে। সূৰ্য্যাই কণবাপুক চুবুৰীৰ কলগ্ৰহ, সমাজখনৰ কলংক বুলি গালি পাৰিছিল; কিন্তু মলয় মনে মনে থাকিছিল। সূৰ্য্যাই ভাবিছিল ঃ মলয় মোৰ লগত যোগ দিয়াহেঁতেন কলিৰ নাৰকী কণবাপুক দুদিনতে মই কিলাই ঠাণ্ডা কৰিলোহেঁতেন।

এদিন সূৰ্য্যাই মলয়ক ক'লে এই কথা। মলয়ে ক'লে "চোৰা চুবুৰীয়াৰ লগত কাজিয়া-বিবাদ কৰাত মোৰ মন নাই।"

মলয়ৰ কথাত সূৰ্য্যৰ খং উঠিল। তাৰ ঘৰৰ আগত থকা জাবৰ-জোথৰখিনি

'অগ্নিশৰ্মা'



মলয়ৰ ঘৰৰ আগত দ'মাই থ'লে। কিন্তু মলয়ে কোনো প্ৰশ্ন নকৰাকৈ আৱৰ্জনাখিনি চাফা কৰিলে।

এইদৰে দুটা দিন পাৰ হ'ল। তৃতীয় দিনা সূৰ্য্যই মলয়ক ক'লে, "দেখিছানে মলয়, কণবাপুৱে তোমাৰ আৰু মোৰ মাজত কাজিয়া এখন লগাই দিবলৈ চেষ্টা চলাইছে। মোৰ ঘৰৰ আৱৰ্জনাখিনি সি তোমাৰ ঘৰৰ দুৱাৰমুখত দ'মাই থৈছে। তাৰ এই লেতেৰা কামৰ কিবা এটা প্ৰতিকাৰ কৰিব লাগে, সি অতি বাঢ়নে বাঢ়িছে।"

মলয়ে হাঁহি মুখেৰে ক'লে, "চোৱাঁ, সূৰ্য্য, কণবাপু যে কেনে কণিবিহৰ গুটি, জানিবলৈ আমাৰ বাকী নাই। তাৰ লগত অভদ্ৰামীত আমি আঁটি উঠিব পাৰিম বুলি ভাবানে? নোৱাৰিম। তাতকৈ—সি কিমানদিনলৈ এনেবোৰ বান্দৰামী কৰে চোৱা যাওক।"

"সেই বুলি দিনৰ পাছত দিন ধৰি তোমাৰ-মোৰ ঘৰৰ আগত জাবৰ-জোথৰ পেলাব, আৰু আমি তাক তাৰ এই লেতেৰা কামত প্ৰশ্ৰয় দি থাকিম?"

"তাৰে আমাৰনো কিমান অনিষ্ট হৈছে? চাফা কৰোঁতে অলপ সময় দিবলগীয়া হৈছোঁ, ইমানেই।" মলয়ে ক'লে।

"তোমাৰ কাৰণে কণবাপু ইমান বাঢ়নে বাঢ়িছে। মই আন এজনক মোৰ লগত পোৱাহেঁতেন কেতিয়াবাই তাক ঠাণ্ডা কৰিলোহেঁতেন।" সূৰ্য্যই খঙতে ক'লে।

সূৰ্য্যই যিমানেই খং নকৰক, মলয়ে শান্ত কণ্ঠেৰে ক'লে, "সূৰ্য্য, এটা কথা মনত ৰাখিবা, আমাৰ আগত থকা জাবৰ-জোথৰখিনি চাফা কৰাত যিমান সময়ৰ অপচয় হৈছে, তাৰ লগত এইবোৰ কথাত লাগিলে, কাজিয়া-বিবাদ কৰি থাকিলে, তাতকৈ ঢেৰ বেছি সময়ৰ অপচয় কৰিব লাগিব। এইবোৰ কথা ভাবি, হিচাপ কৰি, তাৰ এইবোৰ লেতেৰামীলৈ উপেক্ষা

প্ৰদৰ্শন কৰাটোহে সমীচীন হ'ব।"

"আমি বিনা প্ৰতিবাদে তাৰ লেতেৰামী মানি লোৱাৰ অৰ্থ হ'ল যে আমি কাপুৰুষ।" সূৰ্য্যই মলয়ক উজকাৰ দিয়াৰ দৰে ক'লে।

"আমি যদি মহাপুৰুষ, আৰু সি যদি আমাক ভাবে কাপুৰুষ—আমাৰনো কি হ'ল? আমি যি আছোঁ, সেয়ে থাকিম। আৰু আমি যদি সঁচাসঁচিকৈয়েই কাপুৰুষ তেনেহ'লে সিয়েই হ'ল সত্যদ্ৰষ্টা।" মলয়ে মলমা চৰাই ক'লে।

"কথা হ'ল—আমি দুয়ো মিলি কণবাপুৰ দৰে কেঁকোৰা খুঁটাক বাৰ-মুখে লগাব পাৰোঁ। তাৰ কাণ-মুখ নাইকিয়া কৰিব পাৰোঁ।" সূৰ্য্যই ক'লে।

"সেয়ানো কেনেকৈ সম্ভৱ? কণবাপুৰ কোনো কাম-বন নাই, দিনৰ দিনটো শুই-বহি কটায়; আৰু আমাৰ পুৱাৰপৰা মাজনিশালৈকে কাম। বৰঞ্চ—কণবাপুৰে আমাৰ যথেষ্ট উপকাৰ কৰিছে বুলিহে ক'ম মই।" মলয়ে ক'লে।

"উপকাৰ! কৰিলে! কণবাপুৰে!" সূৰ্য্যই শব্দ তিনিটা কেনেবাকৈ ক'লে।

"মই ঠিকেই কৈছোঁ, সূৰ্য্য। তাৰ কাজিয়া আৰু কুকৰ্মৰ ফলত আমাৰ পৰিয়ালৰ সকলোটি অতিষ্ঠ হৈ উঠিছিল। অৱশেষত আমি আটায়ে মিলি স্থিৰ কৰিলোঁ যে, সি যি কৰে কৰি থাকক, আমি আমাৰ কাম কৰিম। আৰু কৰি



থাকিলোঁ। সময়েই নাপাওঁ।" মলয়ে ক'লে।

"ঘৰৰ আন মানুহখিনিয়ে বাক বিভিন্ন কামত ব্যস্ত হৈ থাকে। তুমি? তুমি কি কৰা?" সূৰ্য্যই সুধিলে।

"মই খেতি-বাতিৰ কামতে বেছি সময় কটাওঁ। তাৰ ফলত আমাৰ পৰিয়ালৰ আ-অৱস্থাও আগৰ তুলনাত ঢেৰ টনকিয়াল হৈ উঠিছে। কিয়নো ঘৰৰ আটায়েই এতিয়া কেৱল কাম কৰে। কোনোবাই কাপোৰ বোৱে, কোনোবাজনীয়ে পুতলা বনায়, কোনোবাই চাৰি-পাটী বোৱে। বুজিছাই, অতবোৰ কাম কৰাৰ পাছত কণবাপুৰ কাজিয়াত ভাগ ল'বলৈ আমাৰ সময়েই নোজোৰে।" মলয়ে সূৰ্য্যক ক'লে।

সূৰ্য্যই মলয়ৰ কথাখিনি তাৰ পৰিবাৰ সুনীতাক ক'লে আৰু পাছদিনাৰেপৰাই কণবাপুৰ লেতেৰামীক উপেক্ষা কৰি সিহঁতো বিভিন্ন কামত মনপুতি লাগিল।

এইদৰে কিছুদিন পাৰ হোৱাৰ পাছত সূৰ্য্যহঁতৰো আৰ্থিক অৱস্থা বহু গুণে ভাল হৈ উঠিল। চাওঁতে চাওঁতে কণবাপুৰ ঘৰৰ দুয়োকাষে সূৰ্য্য আৰু মলয়ৰ পকী ঘৰ মূৰ দাঙি উঠিল। মলয়ৰ কথা বাদেই, সূৰ্য্যয়ো বহু দিন ধৰি কাজিয়া-বিবাদ নকৰাত কণবাপুৰ মনত অপাৰ দুখ আছিল। এতিয়া পকী ঘৰ উঠা দেখি চেলাই খোৱা ভেলাই ডাকা যেন লাগি গ'ল তাৰ।

কণবাপুৱে মনতে ভাবিলে: সিহঁত দুয়োটাই পকী ঘৰ বনালে। মই যদি আৰু কেইবছৰমান ইয়াতে থাকোঁ সিহঁতে চাগৈ দুমহলা-তিনিমহলা বা পাঁচ মহলীয়া পকীঘৰো সাজিব। মই অতবোৰ সহিব নোৱাৰিম। তেতিয়া এই জালুকৰ জলাৰ উপৰি পিপলীৰ পথহে প্ৰশস্ত হ'ব। —এইবোৰ কথা ভাবি ভাবি, এদিন মাটি-ভেটি বেচি, কাজিয়াখোৰ কণবাপু সেই গাঁৱৰপৰা নোহোৱা হ'ল।

শিৱলীলা

৩

শিৱভক্ত চিকুতোণ্ডাক চাবলৈ পাৰ্বতীয়ে ইচ্ছা প্ৰকাশ কৰাত শিৱই ইন্দ্ৰক কাঞ্চীপুৰম্ অঞ্চলত প্ৰবল বৰষুণ দিবলৈ ক'লে। শিৱৰ ইচ্ছানুসাৰে কাঞ্চীপুৰমত একেৰাহে একৈছ দিন ধৰি বৰষুণ হৈ থাকিল। এই একৈছ দিন ধৰি চিকুতোণ্ডাই শিৱভক্তসকলক ৰান্ধি খুৱালে। খৰিকাঠৰ অভাৱত তেলেৰে জুই জ্বলাই ৰান্ধিলে। নিজৰ কষ্ট যিমানেই নহওক, শিৱভক্তসকলৰ যাতে কষ্ট নহয়, তালৈ প্ৰখৰ দৃষ্টি দিলে। আৰু—বাইছ দিনৰ দিনা সোণাৱালী ৰ'দৰ পোহৰেৰে পৃথিৱীখন জলমলীয়া হৈ উঠিল। মানুহৰ স্বাভাৱিক জীৱন আৰম্ভ হ'ল। তাৰ পাছত কোনো খাওঁতা চিকুতোণ্ডাৰ কাষ নাচাপিল। শিৱভক্ত এজনক নুখুৱাই তো চিকুতোণ্ডাই খাব নোৱাৰে। সেই দেখি, অন্ততঃপক্ষে এজন শিৱভক্তক তেওঁৰ বিচাৰি থাকিল।

বহুদূৰলৈ যোৱাৰ অন্তত এহাল বৃদ্ধ-বৃদ্ধাক দেখা পালে চিকুতোণ্ডাই। বৃদ্ধৰ মূৰত জঁটা, কপালত বিভূতি, পিন্ধনত বাঘৰ ছাল। বৃদ্ধ শুই আছিল, আৰু বৃদ্ধাই বৃদ্ধৰ ভৰি-পথানত বহি সেৱা কৰি আছিল। চিকুতোণ্ডাই তেওঁলোকক নমস্কাৰ কৰি ক'লে, "আপোনালোকে আজি মোৰ আলহী হওক, আৰু মোৰ মহা উপকাৰ সাধক।"

বৃদ্ধই ক'লে, "মই বিগত এবছৰকাল



একো খোৱা নাই। মই শিৱৰ উদ্দেশ্যে উপবাস কৰি আছোঁ। মোৰ উপবাস ভংগ কৰিবলৈ হ'লে নৰমাংসৰ আৱশ্যক হ'ব। ব্ৰাহ্মণ, ক্ষত্ৰিয় বা বৈশ্য—যিকোনো বংশৰ মানুহ হ'লেই হ'ব; পিছে কম বয়সীয়া হ'ব লাগিব, আৰু—আৰু তাৰ পিতৃ-মাতৃয়ে তাক কাটি-কুটি ৰান্ধি দিব লাগিব, তেহে মই খাম। আৰু এটা কথা। যিটি কম বয়সীয়া ল'ৰাক খাম, সি ৰুগীয়া হ'লে নহ'ব, মোক লাগে নীৰোগ কোমল সোৱাদ মাংস। আৰু এটা চৰ্ত—যাৰ সন্তানক মই খাম, মোৰ কাষত বহি তেওঁ তেওঁৰ শিশুপুত্ৰৰ মাংস খাব লাগিব। তেওঁ নাখালে মোৰ খোৱা নহ'ব। আৰু—কেৱল তেওঁেই নহয়, তেওঁৰ পত্নীয়েও অৰ্থাৎ শিশুটিৰ মাতৃয়েও সেই মাংস খাব লাগিব।"

মোক মানুহে চিৰুতোণ্ডা বুলি মাতে, আপুনিও মাতিব পাৰে। শিৱ-ব্ৰত পালন কৰাটোৱেই মোৰ ধৰ্ম। আপুনি আমাৰ ঘৰত খোৱাৰ বাবে যিবোৰ চৰ্ত আৰোপ কৰিছে, মই সেই চৰ্তসমূহ অৱশ্যেই পালন কৰিম। অনুগ্ৰহ কৰি আমাৰ ঘৰলৈ ব'লক।" চিৰুতোণ্ডাই বৃদ্ধক ক'লে।

"তোমাৰ পত্নীকো সুধি আহাঁগৈ, তেহে যাম।" বৃদ্ধই ক'লে।

ঘৰলৈ উভতি গৈ, চিৰুতোণ্ডাই বহু কষ্টেৰে পত্নীক সন্মত কৰালে। পত্নীয়ে ক'লে, "তেন্তে তেওঁলোকক লৈ আহাঁগৈ।"

চিৰুতোণ্ডা তৎক্ষণাৎ পুনৰ বৃদ্ধ-বৃদ্ধাৰ ওচৰলৈ গ'ল আৰু বৃদ্ধ ব্ৰাহ্মণক দাং-কোলাকৈ ঘৰলৈ লৈ আহিল, যদিও বৃদ্ধা খোজ কাঢ়িয়েই আহিল।

ছিৰিয়ালক মাক-দেউতাকে অতি যত্নেৰে গা ধোৱালে, নৱবস্ত্ৰ পিন্ধালে, চুলি ফণিয়ালে, আৰু তাৰ পাছত সুধিলে, "বোপা, তুমি শিৱভক্তৰ আহাৰ হ'বানে ?

ছিৰিয়ালে ক'লে, "কেলেই নহ'ম, নিশ্চয় হ'ম।" মাতৃয়ে শিশু ছিৰিয়ালক

কোলাত লৈ নিচুকাই টোপনিয়ালে। আৰু তাৰ পাছত ছিৰিয়ালৰ পিতৃ চিৰুতোণ্ডাই শিশুপুত্ৰ ছিৰিয়ালক হত্যা কৰি,, ছিৰিয়ালৰ মাংস ৰান্ধি, বৃদ্ধ-বৃদ্ধাক খাবলৈ দিলে।

বৃদ্ধই চিৰুতোণ্ডাক ক'লে, "কেৱল আমাক খাবলৈ দিলেই তো নহ'ব, আমাৰ লগত বহি তোমালোকৰ পুত্ৰৰ মাংস তোমালোকেও খালেহে আমি খাম।"

"মোৰ ল'ৰাটো যে ক'লৈ গ'ল—। আপোনালোকে দয়া কৰি খাবলৈ বহক।" চিৰুতোণ্ডাই ক'লে।

চিৰুতোণ্ডাৰ ঘৰৰ ওচৰত তেতিয়া অসংখ্য মানুহ গোট খাইছেহি।

চিৰুতোণ্ডাই চিৎকাৰ কৰি তেওঁৰ ল'ৰাটোক মাতিলে, "বোপা ছিৰিয়াল, তুমি তুৰন্তে ইয়ালৈ আহাঁ।"

লগে লগে ছিৰিয়াল ক'ৰবাৰপৰা উপস্থিত হ'লহি।

তাত আৰু এক আচৰিত ঘটনা ঘটিল। তাত তেতিয়া বৃদ্ধ-বৃদ্ধা কোনো নাছিল, তাত স্বয়ং শিৱ আৰু পাৰ্বতী চিৰুতোণ্ডাৰ আগত থিয় হৈ আছিল। শিৱভক্তিৰ আদৰ্শ দৃষ্টান্ত লক্ষ্য কৰি তেওঁলোকে পূৰ্বজন্মৰ কাহিনী ক'লে ঃ

সুপ্ৰাচীন কালত দক্ষিণ নামৰ অঞ্চলত এডৰা গভীৰ অৰণ্য অছিল। সেই অৰণ্যত শবৰ নামৰ এজাতি দৰিদ্ৰ কৃষক আছিল। এই অঞ্চলৰ ৰাজধানী আছিল উড়ুমুক! বিভিন্ন ৰাজ্যৰ কৃষকসকলে ইয়াত বস্তু-বেহানি বেচি নিজ নিজ দেশলৈ উভতি গৈছিল।

শবৰহঁতৰ ৰজাৰ নাম আছিল নাথনাথ। ৰজাৰ পত্নীৰ অৰ্থাৎ ৰাণীৰ নাম আছিল তন্তে। এওঁলোকৰ এটি পুত্ৰ আছিল, তাৰ নাম তিন্ন। ৰাজকোঁৱৰ তিন্ন ডাঙৰ হৈ সুদক্ষ কাঁড়ী হ'ল। তিন্নই এদিন তাৰ দক্ষতাৰ প্ৰমাণ দিলে বিজুলী গতিৰে চেঁকুৰ লোৱা হৰিণ এটাক কঁড়িয়াই মাৰি।

ৰজা নাথনাথে পুত্ৰৰ কঁড়িউৰা দেখি তৱধ মানিলে। ই যেনিবা কাঁড়ী হৈয়েইহে জনমিছে। নহ'লেনো এনে বিজুলীগতিৰে চেঁকুৰ লৈ পলাই যাবলৈ ধৰা হৰিণাক কোনোবাই কঁড়িয়াব পাৰেনে ?

তিন্নক ভালকৈ ধনুৰ্বিদ্যা শিকাবলৈ শবৰহঁতে ৰজাক খাটিলে। তাৰ পাছত এদিন চিকাৰলৈ ওলোৱাৰ বাবে তিন্নই সকলোবিধৰ আয়োজন কৰিলে।

তিন্ন চিকাৰলৈ ওলাল। চিকাৰ ভাল ভাৱেই চলি আছিল। শবৰহঁতে বিভিন্ন অস্ত্ৰ লৈ ওলাইছিল। নানান বিধৰ জন্তু চিকাৰ কৰি শবৰহঁতে তৃপ্তিৰে খাই আছিল। কিয়নো কৰিবলগীয়া তো আন একো নাই।

চিকাৰ কৰি থাকোঁতে তিন্ন এসময়ত ভাগৰি পৰিল, আৰু এজোপা গছৰ তলত সি শুলে। চাওঁতে চাওঁতে তিন্ন টোপনিৰে আচ্ছন্ন হৈ পৰিল। আৰু টোপনিত সি এটা সপোন দেখিলে। সপোনত সি এগৰাকী মহাপুৰুষক দেখা পালে। মহাপুৰুষগৰাকীৰ সৰ্ব অংগত বিভূতি, পিন্ধনত বাঘৰ ছাল, মূৰত দীঘলীয়া জঁটা, আৰু ডিঙিত ওলমি আছে শিৱলিংগৰ আধাৰ। তেওঁ তিন্নক মিঠা মাতেৰে ক'লে, "বোপা, সৌ পাহাৰৰ নামনিত সুৱৰ্ণৰেখা নৈৰ তীৰত বৰগছজোপাৰ তলত শিৱমূৰ্তি দেখা পাবা। তুমি সেই শিৱ-মূৰ্তিক পূজা কৰাগৈ।" এই বুলি কৈয়েই সেই মহাপুৰুষগৰাকী অদৃশ্য হ'ল।

তৎক্ষণাৎ টোপনিৰপৰা সাৰ পাই তিন্নই চাৰিওফালে চালে। তাৰ লগৰীয়াহঁত তেতিয়া চিকাৰত মগ্ন। এনেতে হঠাৎ এটা গাহৰি চিকাৰীহঁতৰ দৃষ্টি এৰাই তালৈ আহিল। তিন্নই গাহৰিটোক মাৰিবলৈ উদ্যত হ'ল; কিন্তু গাহৰিটোৱে অতি দক্ষতাৰেই তিন্নৰ কাঁড়ে চুকি নোপোৱা ঠাইলৈ গুচি গ'ল। তিন্ন গাহৰিটোৰ পিনে ভেবা লাগি চাই ৰ'ল; কিন্তু

গাহৰিটো তিমানতে অদৃশ্য হৈ পৰিল।

গাহৰিটো যিঠাইত অদৃশ্য হ'ল, সেই ঠাইত এটি শিৱদ'ল দেখা গ'ল। তিন্নই সপোনৰ কথাবোৰ সুঁৱৰিলে। হয়, সপোনৰ সৈতে এইবোৰ ঘটনাৰ মিল নথকা নহয় আছে। সেয়েহে, এইবোৰ ঘটনাক শিৱলীলা বুলি গণ্য কৰি, শিৱ-লিংগৰ গাত ভস্ম সানি, প্ৰণাম কৰি, তিন্নই ক'লে, "হে প্ৰভু, সিংহ, বাঘ আদি হিংস্ৰজন্তু-পৰিবেষ্টিত হৈ এই পাৰ্বত্য অঞ্চলত আপুনি আছে। আপোনাৰ ক্ষুধা-তৃষ্ণাত কোনেনো ইয়ালৈ আপোনাৰ কাৰণে খাদ্য আৰু পানীয় কঢ়িয়াই আনিব? আপুনি আমাৰ গাঁৱলৈ ব'লক। আপোনাক চৰাইৰ মাংস, গাহৰিৰ মাংস তো খাবলৈ দিমেই—যি মাংস খাবলৈ বিচাৰিব তাকে দিম। বিধোবিধ পায়স খাবলৈ দিম। মিঠাই যে কত ৰকমৰ পাব—তাৰ লেখজোখ নাই। আৰু যে ফল। যত ৰকমৰ ফল খুজিব, সদায় পাব। আপুনি যদি তথাপি নাযায় মোৰ লগত, ময়ো ইয়াৰপৰা নাযাওঁ, ইয়াতে বহি থাকিম।"

ইপিনে শবৰহঁতে তিন্নক বিচাৰি আছিল। আহি আহি এই ঠাই পালেহি সিহঁতে। শবৰহঁতে তিন্নক সুধিলে, "তিন্ন, সেই বনৰীয়া গাহৰিটো ক'লৈ গ'ল ক'বানে?"

কিন্তু তিন্ন তেতিয়া শিৱৰ ধ্যানত মগ্ন আছিল। শবৰহঁতে তিন্নক ৰাজ-ধানীলৈ উভতি যাবলৈ অনুৰোধ কৰিলে। তেতিয়া তিন্নই সিহঁতক ক'লে, "শিৱ মোৰ লগত নোযোৱালৈকে মই ইয়াৰপৰা নাযাওঁ। তোমালোক গুচি যোৱা।"

এই বুলি কৈয়েই তিন্ন পুনৰ ধ্যান-মগ্ন হৈ পৰাত শবৰহঁতে তিন্নক তাতে এৰি থৈ ৰাজধানীলৈ উভতি গ'ল।





কপালৰ ফেৰ

সুপ্ৰাচীনকালত ফ্ৰিজিয়াদেশত গোৰ্ডিয়ান নামৰ এজন হালোৱা আছিল। গোৰ্ডিয়ান আছিল চফল ডেকা। এদিন সি তাৰ গৰুৰ গাড়ীখনত উঠি নগৰলৈ বুলি ৰাওনা হ'ল। কিছুদূৰলৈ যোৱাৰ অন্তত তাৰ গাড়ীত পক্ষীৰাজ বহিলহি।

গাড়ীত পক্ষীৰাজ বহাৰ ঘটনা গ্ৰিক-সকলৰ ওচৰত বৰ শুভলক্ষণ। গতিকে গোৰ্ডিয়ানেও ভাবিলেঃ মোৰ ভাগ্যত ভাল কিবা ঘটনা নিশ্চয় ঘটিব।

ঠিক সেই কালছোৱাত টেলমিছন নগৰৰ ৰজাৰ মৃত্যু হ'ল। দেশত এক অৰাজক পৰিস্থিতিয়ে মূৰ দাঙিলে। এনে অৱস্থাত নগৰৰ এগৰাকী বয়সস্থ মহিলাৰ ওপৰত দেৱী এগৰাকী লম্ভিছিল। সেই মহিলাই চিৎকাৰ কৰি প্ৰজাসকলক ক'লে "হে প্ৰজাবৰ্গ, তোমালোক মুঠেই নিৰাশ নহ'বা। তোমালোকৰ পৰৱৰ্তী ৰজা গৰুৰ গাড়ীত উঠি এই পিনেই আহিব ধৰিছে। গাড়ীত তেওঁৰ পত্নীও থাকিব। আৰু গাড়ীৰ ওপৰত বহি থাকিব স্বয়ং পক্ষীৰাজ!"

আৰু এই ঘোষণা শুনিয়েই এগৰাকী যুৱতী নগৰৰপৰা দৌৰি ওলাই গ'ল। বহুদূৰলৈকে যোৱাৰ পাছত যুৱতীয়ে এখন গৰুৰ গাড়ী নগৰৰ পিনে অহা দেখা পালে। গাড়ীৰ ওপৰত বহি আছিল সেই যুৱক আৰু স্বয়ং পক্ষীৰাজ।

যুৱতীয়ে খৰকৈ আগুৱাই গ'ল আৰু গাড়ীখন হাত দাঙি ৰখালে। যুৱতীয়ে চিঞৰি ক'লে, "ৰ'বা, ৰ'বা! ময়ো যাম।"

যুৱতীয়ে একেজাঁপে গাড়ীত উঠিলে আৰু গোৰ্ডিয়ানৰ কাষত বহি ক'লে, "শুনা,

তুমি যদি মোক বিয়া কৰোৱা, আজি গধূলিৰ আগতেই তোমাৰ কপাল ফুলিব।"

তাৰ কপাল যে মুকলি হ'ব—সেই কথাটো তো সি পক্ষীৰাজ বহাৰ লগে লগেই গম পাইছিল। সেয়েহে, যুৱতীক ভালকৈ চাই লৈ গোৰ্ডিয়ানে ক'লে, "তুমি যিমান ৰূপৱতী সিমান বুদ্ধিমতী হয়নে? তোমাৰ ৰূপ চাই ভালেই পাইছোঁ, বিয়া কৰাবৰো মন গৈছে। পিছে—তোমাৰ বুদ্ধিনো কেনে?"

"মোৰ বুদ্ধিৰ সম্পৰ্কে নাভাবিলেও হ'ব।" যুৱতীয়ে টেলমিছনৰ ৰজাৰ মৃত্যু, বয়সস্থ মহিলাৰ ঘোষণা ইত্যাদি কোৱাৰ অন্তত গোৰ্ডিয়ানক পুনৰ ক'লে, "এতিয়া নিশ্চয় বুজি পাইছা যে মই তোমাৰ গাড়ীত যদি বহি নাথাকোঁ, তোমাক কোনেও ৰজা নাপাতে।"

গোৰ্ডিয়ানে মূৰ দুপিয়ালে। অলপ পাছত গাড়ীখন নগৰলৈ সোমাল। লগে লগে নগৰৰ প্ৰজাবৰ্গই গোৰ্ডিয়ান আৰু তাৰ কাষত বহি থকা যুৱতীক, আৰু অধিকন্তু পক্ষীৰাজকো বহি থকা দেখি সমস্বৰে চিঞৰি উঠিল, "আমাৰ ৰজাৰ জয় হওক! আমাৰ ৰজাৰ জয় হওক!"

এইদৰে গোৰ্ডিয়ান টেলমিছন নগৰৰ ৰজা হ'ল। গোৰ্ডিয়ানে তাৰ গাড়ীৰ ৰছী ছুডালত কটকটীয়া গাঁঠি বান্ধি এটা মন্দিৰত থৈ ঘোষণা কৰিলে: এই গাঁঠি মুকলি কৰিব পৰাজনক এই দেশৰ সাৰ্বভৌম সম্ৰাট পতা হ'ব।" এই ঘোষণা শুনি বহু দেশৰপৰা বহু ৰজা, পালিৰজা আৰু অন্যান্য ডাঙৰ মানুহ আহিছিল ৰছীৰ গাঁঠি মুকলি কৰিবলৈ; কিন্তু কোনেও সেই গাঁঠি মুকলি কৰিব নোৱাৰিলে। কথিত আছে যে, বিশ্বখ্যাত আলেকজেণ্ডাৰেও এই গাঁঠি মুকলি কৰিবলৈ ব্যৰ্থ হৈছিল, আৰু তেওঁ তৰোৱালেৰে ৰছী ছুডাল কাটি পেলাইছিল।

জীৱনৰ মূলধন

অম্বাপুৰ গাঁৱৰ ডম্বৰু নামৰ যুৱকে শাক-পাচলিৰ খেতি কৰি আৰু সেইবোৰ হাটত বেচি কথামপি পেট প্ৰৱৰ্তাইছিল।

আন দিনাৰ দৰে সিদিনাও সি শাক-পাচলি লৈ হাটলৈ গ'ল। আটাইখিনি বেচাত ভালেখিনি ৰাতি হ'ল তাৰ। তথাপি কি আৰু কৰিব, ৰাতি ভালেখিনি হোৱা সত্বেও সি ঘৰলৈ বুলি খোজ ল'লে।

বাটত পৰিল এজোপা জামু, জামুৰ পাছত তেতেলী। আৰু ঠিক তেতিয়াই মেঘে গাজিলে, ধুমুহাই বলিলে, বিজুলীয়ে চমকিলে আৰু ধাৰাসাৰ বৰষুণ দিলে। ঘৰ-দুৱাৰো নাই যে আশ্ৰয় ল'বগৈ। গতিকে বাধ্যত পৰি অম্বাপুৰৰ ডম্বৰুৱে তেতেলীজোপাৰ তলত তুঁহত হগা বোন্দাটিৰ দৰে থিয় হৈ থাকিল।

প্ৰায় এঘণ্টামানৰ অন্তত বৰষুণ বন্ধ হ'ল। এঘণ্টা বৈ থকাৰ ফলত ৰাতি গভীৰ হ'ল। ইপিনে বৰষুণত তিতি ডম্বৰুৰ ঠেৰেঙালগা জাৰ লাগিল। যি কি নহওক, সি ঘৰলৈ বুলি খোজ ল'লে, আৰু ঠিক তেতিয়াই অলপ আঁতৰত কোনোবাইঁতে জুই একুৰা জ্বলাই জুই পুৱাই থকা দেখা গ'ল। ইমান বৰষুণৰ মাজতো যে কেনেকৈ জুইকুৰা জ্বলিল, ডম্বৰুৱে ভাবি নাপালে।

সি জুইকুৰাৰ কাষ চাপিল। কিন্তু জুইকুৰাৰ চাৰিওকাষে বহি জুই পুৱাই থকাইঁতক দেখি সি আৰ্তনাদ কৰি উঠিল। কিয়নো সিহঁতকেইটা আছিল ভূত।

ভূতবিলাকে ডম্বৰুক ক'লে, "তুমি ভয় নকৰিবা। আহাঁ, ইয়াত বহাঁহি। তুমি অম্বাপুৰৰ মানুহ নহয়নে ? কোৱাচোন

কাইলৈ তোমালোকৰ গাঁৱত কি ঘটিব ?"

ভূতবিলাকৰ ধৰণ-ধাৰণ দেখি আৰু মাত-বোল শুনি ডম্বৰুৰ ভূতৰ ভয় কমিল। সি ভূতবিলাকক ক'লে, "মই খেতি-বাতি কৰোঁ, শাক-পাচলি বেচোঁ। মইতো জ্যোতিষী নহওঁ যে এই প্ৰশ্নৰ উত্তৰ দিম।"

"তেন্তে কওঁ শুনা— " এই বুলি কৈ ভূত এটাই অলপ জুই মুখত ভৰাই লৈ ক'লে, "কালিলৈ তোমালোকৰ গাঁৱৰ পঢ়াশালিৰ কাষৰ বিৰাট আওপুৰণি নিম-জোপা পঢ়াশালিৰ ওচৰত ভাগি পৰিব।"

দ্বিতীয় ভূতটোৱে জুই কেইচলুমান হাতৰ তলুৱাৰ খোলত লৈ, মূৰত সানি ক'লে, "আৰু ৰাতিৰ পৰতে তোমালোকৰ গাঁৱৰ মন্দিৰৰ হাতীটো বলিয়া হ'ব, আৰু তাৰ আগত যি আহিব তাকে গছকি মাৰি পেলাব।"

হুগৰাহমান জুই খাই লৈ তৃতীয় ভূতটোৱে ক'লে, "আৰু তোমালোকৰ গাঁৱৰ বিৰাট সৰোবৰটোৰ মথাউৰি ফাটি বানপানীৰ দৰে পানী ওলাব।" এইবোৰ কৈয়েই ভূতকেইটা উধাও হ'ল।

ইফালে-সিফালে চাই ডম্বৰু পুনৰ ঘৰমুৱা হ'ল। গাওঁ পায়েই সি পোন-প্ৰথমে পঢ়াশালিলৈ গৈ, পঢ়াশালিৰ পণ্ডিতক ভূতবিলাকে কোৱা কথা ক'লে।

ডম্বৰুৰ কথাত নহয়, ভূতৰ কথাত গুৰুত্ব আৰোপ কৰি পণ্ডিত মহাশয়ে সিদিনা বিদ্যালয়ত ছুটি ঘোষণা কৰিলে। ছাত্ৰহঁতে হৈ চৈ কৰি বিদ্যালয়ৰপৰা ওলাই গ'ল। আৰু প্ৰায় লগে লগেই বিদ্যালয়ৰ চালৰ ওপৰত বিৰাট নিমগছ-জোপা হুৰমুৰ কৰি ভাগি পৰিল। ছাত্ৰহঁত থকাহেঁতেন ভালেমানৰ মৃত্যু হ'লহেঁতেন।

এই ঘটনাৰ ফলত ডম্বৰুৱে কোৱা কথাখিনি সকলোতে সকলোৱে জানি গ'ল। জানি গ'ল যে ভূতবিলাকে ডম্বৰুক কোৱা কথা আখৰে আখৰে ফলিয়ালে। আৰু, মন্দিৰৰ হাতীটো যে বলিয়া

হৈ যাব, আৰু গছকি যাকে পাব তাকে মাৰিব, সেই কথাটোও প্ৰচাৰিত হ'ল। গাঁৱৰ ৰাইজে হাতীটোকে এজোপা গছৰ লগত কটকটীয়াকৈ বান্ধি থ'লে লোৰ শিকলিৰে। কিন্তু সন্ধিয়াৰ পূজা শেষ হোৱাৰ লগে লগে প্ৰচণ্ড চিঞৰ মাৰি হাতীটোৱে সেই লোৰ শিকলি ছিঙি পলাল। ভাগ্যে কোনো নমৰিল তাৰ ভৰিৰ তলত পৰি।

হাতীৰ গছকত যে কোনো নমৰিল, তাৰ বাবে, গাঁৱৰ ৰাইজে ডম্বৰুক কিমান যে শলাগিলে। ডম্বৰুৱে আগতীয়াকৈ নোকোৱাহেঁতেন কি যে ঘটিলেহেঁতেন!

ৰাতিৰ পৰতে গাঁৱৰ ৰাইজে কোৱাকুই কৰিলেঃ "ভূতৰ দুটা কথা যেতিয়া ফলিল তৃতীয় কথাটোও নফলিয়াবৰ কাৰণ নাই। আমি আমাৰ সৰোবৰটো আমাৰ খোৱা পানীৰ একমাত্ৰ সৰোবৰটো উজাগৰে থাকি পৰ দি বৈ থাকিম। আৰু যেনেতেনে মথাউৰি ভাগি যোৱাৰ-পৰা ৰক্ষা কৰিমেই।" এইবুলি কৈ ইটা, শিল আদিৰে সৰোবৰৰ পাৰৰ ওখ আলি মেৰামতি কৰাৰ কামত লাগিল। সকলো-টিয়েই এই কামত হাত উজান দিলে।

পাছদিনা গাঁৱৰ ৰাইজে ডম্বৰুক ক'লে, "চোৱাঁ, ডম্বৰু, তোমাৰ যোগেদি আমাৰ গাঁওখনৰ যথেষ্ট উপকাৰ হ'ল। তুমি আকৌ সেই তেতেলীৰ তললৈ গৈ ভূত-বিলাকৰপৰা আকৌ কি হ'ব-নহ'ব জানি আহাঁগৈ। আমাৰ উপকাৰ হ'ব।"

গাঁৱৰ দহোৰাইজে কোৱা কথা দলিয়াই পেলাব নোৱাৰি ৰাতিৰ পৰতে ডম্বৰু গ'ল তালৈ। পালে লগ ভূতবিলাকত। ডম্বৰুৱে ভূতবিলাকক ক'লে, "তোমালোকৰ কথা আখৰে আখৰে সঁচা হোৱাত গাঁৱৰ ৰাইজে তোমালোকক শলাগিছে। আৰু কিবা ক'বানে? সেই কাৰণেহে আহিলোঁ।"

ডম্বৰুৰ কথাৰ উত্তৰ ভূতবিলাকে ক'লে যে, পাছদিনা মাজনিশা গাঁৱৰ জমিদাৰ

ঘৰত চোৰ সোমাব। গাঁওবুঢ়াৰ জীয়েকৰ বিয়া উপলক্ষ্যে অনা দৈৰ ভিতৰত জেঠি পৰাত দৈখিনি বিষাক্ত হ'ব, আৰু সেই দৈ খাই বহুতো মানুহ মৰিব।

ডম্বৰুৱে জমিদাৰ আৰু গাঁওবুঢ়াক ভূতবিলাকে কোৱা কথাখিনি ক'লেগৈ! তাৰ ফলত জমিদাৰ আৰু গাঁওবুঢ়া যথেষ্ট সাৱধান হ'ব পাৰিলে।

পছদিনা জমিদাৰে ডম্বৰুক ক'লে, "বোপা ডম্বৰু, তুমি আজি ৰাতি আকৌ ভূতৰ ওচৰলৈ গৈ— মোৰ কেতিয়া ল'ৰা উপজিব জানি আহিবা। আৰু—এয়া লোৱা তোমাৰ পৰিশ্ৰমিক।" এই বুলি কৈ, জমিদাৰে উপযাচি ডম্বৰুক এশ সোণৰ মুদ্ৰা দিলে।

জমিদাৰ গুচি যোৱাৰ পাছত গাঁওবুঢ়া ওলালহি। গাঁওবুঢ়াই ডম্বৰুক ক'লে, "ডম্বৰু, মোৰ কথা মনপুতি শুনা। আমাৰ পাঁচ-সাত পুৰুষ আগতে আমি আছিলোঁ বিৰাট বেপাৰী। মোৰ পৰিবাৰে মোক সদায় জাহাজেৰে সাগৰ পাৰ হৈ বেপাৰ-বণিজ কৰিবলৈ কয়। তুমি ভূতহঁতক সুধিবাচোন—মই বেপাৰত ধৰিমনে নাই।" গাঁওবুঢ়াই ডম্বৰুক এটা সোণৰ আৰু এটা ৰূপৰ মুদ্ৰা দিলে।

ডম্বৰুৱে এই প্ৰশ্নবোৰ ঠিক ঠিক মতে কাগজত লিখি লৈ ভূতবিলাকৰ কাষ চাপিল। সি সহজভাৱে ভূতবিলাকৰ লগত বহি ক'লে, "ইমান দিন ধৰি তোমালোকে মোক কেৱল বেয়া খবৰ-বিলাকহে দিলা; অৱশ্যে ৰাইজৰ উপকাৰ হৈছে তাৰে। যি কি নহওক, আজি এইবোৰ খবৰ মই জানিবলৈ বিচাৰোঁ।" ডম্বৰুৱে এটা মোনাত লৈ অহা সেই সোণৰ মুদ্ৰাখিনি ভূতকেইটাৰ আগত থ'লে। ডম্বৰুৱে এইখিনি সোণৰ মুদ্ৰা তাৰ পাৰিশ্ৰমিক তথা মাননী হিচাপে পাইছিল।

ডম্বৰুৱে ভূতকেইটাক ক'লে, "তোমা-লোকে এই সোণৰ মুদ্ৰাখিনি লোৱা,

আৰু মোক সকলো প্ৰশ্নৰ উত্তৰ দিয়া। মই এদিনৰ ভিতৰতে এইখিনি সোণৰ মুদ্ৰা পালোঁ। মই আৰু খেতি-বাতি নকৰোঁ, কৰাৰ দৰ্কাৰেই নহ'ব। মই এনেকৈ পায়েই থাকিম মাননী হিচাপে, তাৰ আধাখিনি তোমালোকক দিম।"

ভূতবিলাকে আটাইখিনি সোণৰ মুদ্ৰা জুইৰ ভিতৰলৈ দলিয়াই পেলাই ডম্বৰুক ক'লে, "হেৰ মূৰ্খ, তই আৰু ইয়ালৈ কাহানিও নাহিবি। আহিলেও আমাক দেখা নাপাব তই।" এই বুলি কৈ, ভূত-বিলাক নিমিষতে নোহোৱা হ'ল।

এনে কাণ্ড হ'ব বুলি ডম্বৰুৱে ভবা নাছিল। কিন্তু—লোকৰপৰা লোৱা মুদ্ৰা এতিয়া ঘূৰাই দিয়ে কেনেকৈ? সোণৰ মুদ্ৰা জুইৰ খাদ্য হ'ল। ক'ৰপৰা কেনেকৈ দিব সি এতিয়া? চিন্তিত বিষাদগ্ৰস্ত ডম্বৰু বহি থাকিল তাত।

ৰাতিপুৱা সেই তেতলীজোপাৰ তলেদি এজনী বুঢ়ী গৈ আছিল। বুঢ়ীয়ে ডম্বৰুক সুধিলে, "তোমাৰনো কি হ'ল বোপা? ইয়াত আমন-জিমনকৈ বহি আছা কিয়?"

ডম্বৰুৱে মনৰ খেদতে বুঢ়ীক সকলো কথা ক'লে। তেতিয়া বুঢ়ীয়ে ক'লে, "তোমাক যে ভূতবিলাকে মূৰ্খ বুলি কৈছে ঠিকেই কৈছে। সিহঁত বেয়াহওঁতে কাম কৰি ভূত হ'ল। এতিয়া ভাল কাম কৰি পাপৰ বোজা পাতলাব। কিন্তু তুমি সিহঁতক পুনৰ লুভীয়া কৰি তোলাৰ দিহা কৰিছিলা বুলিহে সিহঁতৰ খং উঠিছিল। সিহঁত আৰু নাহিব। তুমি ঘৰলৈ যোৱাগৈ।"

কৰিবলগীয়া যে একো নাই—ফট-ফটীয়াকৈ বুজি পাই ডম্বৰু ঘৰমুৱা হ'ল। তাৰ পাছত সি কেইবছৰমান কঠোৰ পৰিশ্ৰম কৰি লোকৰ মুদ্ৰাখিনি পৰিশোধ কৰিছিল। আৰু—শ্ৰমেই যে জীৱনৰ মূলধন, বঢ়িয়াকৈ বুজি পাইছিল।

ইস্ বুলিলে বিষ

সেনাপতি বীৰমল্লৰ মৃত্যুৰ পাছত এগাৰাকী যোগ্য সেনাপতিৰ আৱশ্যক হ'ল। এই পদৰ যোগ্য আছিল তিনিজন সৈন্য। এজনৰ নাম বিক্রম, এজনৰ নাম মহাবীৰ, আনজনৰ নাম আছিল শৌৰসেন। গজপুৰৰ ৰজাই যেতিয়া এই তিনিজনৰ মাজত এজনক সেনাপতিৰ পদত নিযুক্ত কৰাৰ কথা ভাবি আছিল, ঠিক তেতিয়াই ইন্দুপুৰ ৰাজ্যৰ সেনাপতিয়ে গজপুৰৰ ৰজাক লগ ধৰিলেহি।

গজপুৰ আৰু ইন্দুপুৰ আছিল প্রতিবেশী ৰাজ্য। দুয়োখন ৰাজ্যৰ মাজত সম্পর্ক আছিল মধুৰ। কিন্তু গজপুৰৰ আন এফালে আন এখন ৰাজ্য আছিল, যিখন ৰাজ্যৰ লগত গজপুৰৰ সা-সম্পর্ক ভাল নাছিল। সেই ৰাজ্যখনৰ ৰজাই গোপনে গজপুৰ আক্রমণৰ কথা জানিব পাৰি ইন্দুপুৰৰ ৰজাই তেওঁৰ সেনাপতি অমৰ-বর্মাক গজপুৰলৈ পঠাইছিল।

সেনাপতি অমৰবর্মাই গজপুৰৰ ৰজা ইন্দ্রধিপক ক'লে, "মহাৰাজ, আমি আমাৰ নির্ভৰযোগ্য গুপ্তচৰহঁতৰপৰা এই গোপন আক্রমণৰ খবৰ পাইছোঁ। বীৰমল্ল এতিয়া আৰু নাই, সেয়েহে, এয়ে সুবর্ণ সুযোগ বুলি ভাবি এই আক্রমণৰ চক্রান্ত কৰিলে।"

এই প্রসংগৰ আলোচনা কৰাৰ অন্তত পৰিশেষত মন্তব্য কৰিলে, "আপুনি কিবা এটা পৰীক্ষাৰ যোগেদি বিক্রম, মহাবীৰ আৰু শৌৰসেনৰ মাজত কোন উপযুক্ত হ'ব নির্ণয় কৰি সেনাপতি নিযুক্তিকৰণত মোক সহায় কৰক।"

ইন্দুপুৰৰ সেনাপাতি গজপুৰৰ ৰজাৰ

আনন্দ শর্মা

প্ৰস্তাৱত সন্মত হ'ল।

পাছদিনা, ইন্দুপুৰৰ সেনাপতি অমৰবৰ্মাই বিক্ৰম, মহাবীৰ আৰু শৌৰসেনক পৃথক্ পৃথকভাৱে পৰীক্ষা কৰিলে। অমৰবৰ্মাই এইদৰে পৰীক্ষা লৈছিল ঃ

এটা কক্ষত ৰজা ইন্দ্ৰধিপৰ সৈতে বহি প্ৰথমেই শৌৰসেনক মতাই অনাই শৌৰসেনক সুধিছিল, "প্ৰতিবেশী ৰাজ্য এখনে গোপনে গজপুৰ আক্ৰমণ কৰিব বুলি বাতৰি পোৱা গৈছে। সেই ৰাজ্যৰ সৈন্য সংখ্যা কিমান জানানে ?"

শৌৰসেনে তৎক্ষণাৎ সেই ৰাজ্যৰ পদাতিক, অশ্বাৰোহী আদি সৈন্যৰ সংখ্যা সেনাপতি অমৰবৰ্মা তথা ৰজাক ক'লে। গজপুৰৰ কোন সীমান্তত কিমান শত্ৰুসৈন্য ৰৈ আছে, তাকো বিস্তাৰিত ক'লে।

শৌৰসেনক বিদায় দি অমৰবৰ্মাই মহাবীৰক মতাই অনালে আৰু শৌৰসেনক যিবোৰ প্ৰশ্ন কৰিছিল, সেই একেইবোৰ প্ৰশ্ন মহাবীৰকো কৰিলে।

আৰু মহাবীৰেও শৌৰসেনে কোৱাৰ দৰে সকলো কথা বিস্তাৰিত ভাৱে ক'লে।

এইবাৰ বিক্ৰমক মতাই অনোৱা হ'ল। বিক্ৰমকো একেইবোৰ প্ৰশ্ন কৰা হ'ল। বিক্ৰমে প্ৰতিবেশী ৰাজ্যখনৰ সৈন্যসংখ্যাৰ বিষয়ে মোটামুটিভাৱে ক'লে ; কিন্তু নিজ দেশৰ সৈন্যসংখ্যাৰ বিষয়েবিক্ৰমে বিশেষ একো ভু নাৰাখে বুলিহে ক'লে।

বিক্ৰমক বিদায় কৰাৰ পাছত ইন্দুপুৰৰ সেনাপতি অমৰবৰ্মাই গজপুৰৰ ৰজা ইন্দ্ৰধিপক ক'লে "মহাৰাজ, আপোনাৰ ৰাজ্যৰ যোগ্য সেনাপতি হ'ব পাৰিব এই বিক্ৰম। বিক্ৰমক আপুনি নিঃচিন্তে নিযুক্ত কৰিব পাৰে।"

অমৰবৰ্মাৰ কথাত বিস্মিত হৈ ৰজা ইন্দ্ৰধিপে ক'লে, "শৌৰসেন আৰু মহাবীৰেও নিজ দেশৰ সৈন্যসংখ্যা ক'ব পাৰিছিল; কিন্তু বিক্ৰমে ক'ব নোৱাৰিলে। তথাপি বিক্ৰম কেনেকৈ আৰু কিয় যোগ্য হ'ল—মই ঠাৱৰ কৰিব পৰা নাই।'

ৰজাৰ কথাৰ উত্তৰত অমৰবৰ্মাই ক'লে, "মহাৰাজ, মোৰ দৃঢ় ধাৰণা, বিক্ৰমেও আপোনাৰ ৰাজ্যৰ সৈন্যসংখ্যা জানে। কিন্তু মই—যদিও পৰীক্ষক—তথাপি মই আন এখন ৰাজ্যৰ সেনাপতি। মোৰ আগত যে বিক্ৰমে জানিও আপোনাৰ ৰাজ্যৰ সৈন্যৰ সংখ্যা কোৱা নাই, এয়া অতি তাৎপৰ্য্যপূৰ্ণ। আপুনি বিক্ৰমক বেলেগে সুধি ল'ব।"

তাৰ পাছত ইন্দুপুৰৰ সেনাপতি অমৰবৰ্মা নিজ ৰাজ্যলৈ উভতি গ'ল। তেতিয়া ৰজাই বিক্ৰমক মতাই অনাই সুধিলে, "আমাৰ দেশৰ সৈন্যসংখ্যা তুমি বাৰু নাজানানে কি?"

বিক্ৰমে বিনম্ৰভাৱে ক'লে, "মহাৰাজ, যিকোনো দেশৰ লগত বিশেষ পৰিস্থিতিত বন্ধুত্ব থাকে, আৰু পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে লগে বন্ধুত্ব বিনষ্টো হয়। আজিৰ বুলিলেই বিষ লাগিবও পাৰে। সেয়েহে, আমাৰ দেশৰ সৈন্যকলৰ কথা প্ৰতিবেশী ৰাজ্যৰ সেনাপতিৰ আগত বিস্তাৰিতভাৱে কোৱা উচিত নহ'ব বুলি ভাবি সেই বিষয়ে একো কোৱা নাছিলোঁ।"

ৰজা ইন্দ্ৰধিপে তৎক্ষণাৎ বিক্ৰমক তেওঁৰ সেনাপতিৰ পদত নিযুক্ত কৰিলে।



গোবৰখুটি

কোনোবা এখন গাঁৱত হৰকান্ত নামৰ এজন হালোৱা আছিল, তাৰ আছিল একেটি মাথোন ল'ৰা। একমাত্র ল'ৰা হোৱাত হালোৱা হৰকান্তই তাৰ ল'ৰাটোক হেদানি মেলি ডাঙৰ-দীঘল কৰি থাকিল।

তাৰ পাছত, হালোৱা হৰকান্তৰ ল'ৰা হৰণে যেতিয়া একুৰিৰ ডেওনা পালেগৈ, তেতিয়া এদিন তাক ক'লে, "বোলোঁ ঐ হৰণ, তোৰ বয়স একুৰি হ'ল, পিছে এতিয়া দেখিছোঁ সকলো পানীৰ ঔ টেঙাহে হ'ল। কোনো এটা কামো কৰিব নোৱাৰ লাওখোলাত বুদ্ধিও নাই তোৰ, অছে গোৱৰ খুটিহে।"

"দেউতা, এনেবোৰ লাগ বন্ধ নোহোৱা কথা কৈ মোৰ খং নুতুলিবা। মোৰ লাও-খোলাত যদি গোবৰখুটি, তেনেহ'লে কাৰো বুদ্ধি নাই। কোৱা কি কৰিব লাগিব, কৰি দিম।" হৰণে হৰহৰকৈ ক'লে।

"ঘৰত থকা ভেড়াৰ ছালখন কালিলৈ হাটত বেচি আহগৈচোন চাওঁ। তেতিয়াহে তোৰ জ্ঞান-বুদ্ধিৰ চিন-মোকাম পাম।"

"এয়ানো কি বুদ্ধিৰ কাম হ'ল। ছালখন লৈ হাটলৈ যাম, অলপ পাছত বেচি দিম। তাৰেনো গিয়ান আকৌ বুধি—এইবোৰ কি পৰমান হ'বহে পিতৃ?"

"হাৰে বলিয়াটো, ছাল বেচি টকা লৈ অহাৰ মাজত কোনো বুদ্ধিৰ কথা নাই, সেইটো যেয়ে-সেয়ে কৰিব পাৰে। যিটোৱে ছালখন বেচি টকা, আৰু লগতে ছালখনো পুনৰ ঘৰলৈ ওভতাই লৈ আহিব পাৰিব তাকহে মই বুদ্ধিয়ক বুলি ক'ম।" হৰকান্তই হৰণক দিলে এক থেকেচা।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



কিন্তু হৰণে হেলাৰঙে কৈ উঠিল, "এই কামটোওবা কি টান কাম হ'ল। ঠিক আছে, কালিলৈ গধূলিৰ পাছত মই ছাল আৰু টকা দুয়োটো লৈ আহিম।"

পাছদিনা ভেড়াৰ ছালখন কাষলতিৰ তলত লৈ হৰণ গ'ল হাটলৈ। হাটত তাক বহুতেই সুধিলে, "এই ছালখনে বেচিবানে কি? কিমান দাম ল'বা?"

"দাম যিমানেই নিদিয়া, মই দামো ল'ম, ছালখনো ঘৰলৈ ওভোতাই লৈ যাম।"

গ্ৰাহক এজনে হৰণৰ কথা শুনি হাঁহি হাঁহি ক'লে, "হেৰা, তোমাৰ নিচিনা বেপাৰী জগতত আৰু নোলাব কিজানি। তুমি দামো ল'বা, ছালখনো নিদিবা— এয়ানো কেনেকৈ সম্ভৱ?"

এইদৰে বহু গ্ৰাহক আহিল-গ'ল; কিন্তু তাৰ ছালখন বিক্ৰি নহ'ল। হাটৰ-পৰা যেতিয়া কিনোতা-বেচোতা সকলো গুচি গ'ল, তেতিয়া হৰণে বাধ্যত পৰি সেই ছালখন লৈ ঘৰমুৱা হ'ল।

এঠাইত সি বহু মানুহ-মুনিহ ল'ৰা-ছোৱালী গোট খোৱা দেখি তালৈ গ'ল। তাত এজন জাদুকৰে জাদু খেল প্ৰদৰ্শন কৰি আছিল। জাদুকৰে হৰণৰ কাষলতিত ভেড়াৰ ছালখন দেখা পাই তাক ক'লে, "চাওঁ—ছালখন দিয়াচোন, নতুন খেলা এটা দেখুৱাওঁ।"

হৰণে জাদুকৰক ছালখন দিলে। জাদুকৰে ছালখন মাটিত থৈ এখন কাপোৰেৰে ছালখন ঢাকি দিলে। তাৰ পাছত মন্ত্ৰ আওৰাই কাপোৰখন যেতিয়া গুচাই ল'লে, তেতিয়া তাত ভেড়াৰ ছালৰ সলনি এজোপা আমগছ দেখা গ'ল। এই দৃশ্য দেখি সকলোটিয়ে জোৰে জোৰে হাত-চাপৰি বজালে। জাদুকৰে সেই আম গছৰপৰা এটা আম এজন দৰ্শকক দিলে।

ইপিনে হৰণৰ বুকুত হৰহৰণি উঠিল। কিয়নো, ভেড়াৰ ছালখন ঘৰলৈ ওভোতাই লৈ যাব নোৱাৰিলে তাৰ ছাল যে

দেউতাকে বখলিয়াব—তাত সন্দেহ নাই। হৰণে জাদুকৰৰ আগত ভেড়াৰ দৰে ভেঁকৈ কান্দি দিলে। ছালখনৰ দাম তো দূৰৰে কথা, ছালখনো যে গ'ল !

হৰণৰ মৰি যাওঁ মৰি যাওঁ যেন লাগি গ'ল। সি ভোকতো জলা-কলা দেখিছিল। সি ভাবিলে: এই আম-জোপাত দেখোন কেইবাটাও আম আছে। মই এটা নাখাওঁ কিয় ? —সি এটা আম থাপ মাৰি ধৰাৰ লগে লগে আম গুচি পুনৰ ভেড়াৰ ছালখন তাৰ হাতৰ মুঠিলৈ আহিল। আমটো যে ক'লৈ গ'ল, বা আম গছজোপা! যি কি নহওক, ভেড়াৰ ছালখন ঘূৰাই পাই সি ভালেই পালে।

তাৰ পাছত কি পুনৰ ঘৰমুৱা হ'ল। তেতিয়া সাঁজ লাগি ভাগিছেহে। হঠাৎ পিছফালৰপৰা সেই জাদুকৰে তাক চিঞৰি চিঞৰি মাতিলে।

জাদুকৰে হৰণক ৰখাই ক'লে, "শুনা, তোমাক মই এটা পৰামৰ্শ দিম, পাহৰি নাযাবা যেন।"

"কি পৰামৰ্শ ?" হৰণে সুধিলে।

"বাটত কোনোবা এজনী তৰুণীক যদি লগ পোৱা, তেওঁক সুধিবা, 'তুমি ভালে আছানে' ?" জাদুকৰে ক'লে।

এই কথা কৈয়েই জাদুকৰ হঠাৎ অহাৰ দৰে হঠাৎ গুচি গ'ল।

হৰণ আগবাঢ়ি গৈ থাকিল। গৈ গৈ, এঠাইত তৰুণী এজনীক সঁচাসঁচিকৈয়েই লগ পালে। জাদুকৰে কোৱা কথা হৰণে পাহৰি যোৱা নাছিল। সি তৰুণীৰ পিনে আগুৱাই গৈ সুধিলে, "হেৰা, তুমি বাৰু ভালে আছানে ?"

"ওঁ, আছোঁ। তোমালোকৰ ভালনে ?" তৰুণীয়ে হৰণক সুধিলে।

তাৰ পাছত দুয়োৰো মাজত হোৱা কথা-বতৰাৰপৰা তৰুণীয়ে বুজি পালে যে এই যুৱক গোটেই দিনটো নোখোৱাকৈ আছে। তৰুণীয়ে হৰণক তাইৰ ঘৰলৈ

লৈ গ'ল আৰু পেট পুৰাই খুৱালে। খোৱা-বোৱাৰ পাছত হৰণে তৰুণীক ক'লে, "দেউতাই মোক এই ছালখন হাটত বেচিবলৈ কৈছিল। কেৱল বেচিলেই নহ'ব—ছালখন বেচা টকাখিনি—আৰু লগতে ছালখনো ঘৰলৈ ওভোতাই লৈ যাব লাগিব। কিন্তু একেলগে এই দুটা কাম মোৰ দ্বাৰা নহ'ল।"

"অ'! কথা এয়েনে? ঠিক আছে, মই ছালখনৰ দামো দিম, আকৌ ছালখনো ওভোতাই দিম, ৰ'বা।" এই বুলি কৈ সেই তৰুণীয়ে ভেড়াৰ ছালখনত থকা নোমবোৰ কাটি ল'লে আৰু ছালখনো ওভোতাই দিয়াৰ লগতে কিছুখিনি টকাও দিলে হৰণক।

হৰণৰ তেতিয়া ৰং চায় কোনে! সি টকা আৰু ছালখন লৈ উৰি যোৱাদি ঘৰলৈ গ'ল। ছাল আৰু টকা—দুয়োটা বস্তু পাই অবাক মানি হৰকান্তই হৰণক সুধিলে, "তোক কোনেনো ইমান বঢ়িয়া বুদ্ধি শিকালে ঐ?"

"এজনী গাভৰুৱে, দেউতা।" এই বুলি কৈ, ঘটনাৰ কথা বিবৰিলে।

"এয়েনে তোৰ বুদ্ধি! এনেকুৱা ছোৱালী এজনী পালিয়েই যেতিয়া, তাইক বিয়া কৰাই নানিলি কেলেই? তোৰ লাওখোলাত যে একো নাই—মই সদায় কৈ আহিছোঁ, আৰু আজিও ক'ম।" হালোৱা হৰকান্তই ক'লে।

হৰণে আৰু পলম নকৰি তৎক্ষণাৎ সেই তৰুণীজনীৰ ঘৰলৈ গৈ তাইক পোনে পোনেই সুধিলে, "হেৰা, তুমি মোক বিয়া কৰাবা?"

তৰুণীয়ে হাঁহি হাঁহি বাগৰি পৰোঁ পৰোঁ হ'ল আৰু তাৰ পাছত কিবাকিবি ভাবি হৰণৰ প্ৰস্তাৱত হয় দিলে।

বিয়াৰ পাছতহে হালোৱা হৰকান্ত পুতেক হৰণৰ সম্পৰ্কে কিঞ্চিত নিঃচিন্ত হ'ল।

আমেৰিকাৰ 'নাবিক-গৱেষণা সস্থা'ই ১৯৭৬ চনত এক বিচিত্ৰ শ্বাৰ্ক মাম [হাংগৰ মাছ] আৱিষ্কাৰ কৰিছিল। এই মাছটোৰ মুখত সাতোটো শাৰীত বেজীৰ নিচিনা দাঁত আছিল। এই মাছটো দীঘলে ৪'৪২ মিটাৰ আৰু ইয়াৰ ওজন হ'ল ৭৫৮ কিলোগ্ৰাম। এই মাছটোক ডাঙৰ মুখ থকা মাছ হিচাপে বৰ্ণোৱা হৈছে। স্থানীয় লোকসকলে এই মাছটোক মেগা মাউথ শ্বাৰ্ক বুলি কয়।

মেগা মাউথ শ্বাৰ্ক

অৰুণমালি ফেঁচা

পৃথিৱীৰ আটাইতকৈ সৰু ফেঁচা থাইলেণ্ডত দেখা পোৱা যায়। এই ফেঁচাৰ ডেউকাৰ দীঘ ১৬০ মিলিমিটাৰ। এই ফেঁচাৰ মূঠ দৈৰ্ঘ্য ৩'৩ মিলিমিটাৰ মাথোন।

কোনো কোনো বাদুলিৰ মূৰৰ ওপৰত কাণৰ দৰে দুটা বস্তু থাকে; কিন্তু সেইবোৰ কাণ নহয়। এই বস্তু দুটা আচলতে নোমহে। বাদুলিৰ কাণ মূৰৰ দুকালে নোমেৰে ঢকা থাকে। এই কাণ বাহিৰৰপৰা চিনি পোৱা টান।

বাদুলিৰ কাণ

চান্দমামা

চিত্তাকর্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুন্দৰভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ
চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ অক্'টবাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : শ্ৰমৰ সুখ

দ্বিতীয় ফটো : ফুলাম মুখ

পুৰস্কাৰ পাওঁতা : কবুল মুদৈ, কুৰালগুৰি উঃ মাঃ বিদ্যালয়, কছাৰী গাঁও, যোৰহাট।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানন'ৰ উত্তৰ]

১। ছিৰিয়াৰ ৰাজধানী দামাস্কাছ ২। ছেইন্ট পিটাৰ্সবুৰ্গ ৩। ক্ৰিষ্টিয়ানিয়া

৪। মেলবৰ্ন ৫। আল্-খহি-ৰাহ্।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

A BRIGHT NEW TRADITION IS BUILT
by
THE READERS OF

THE HERITAGE

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, *meaningful* and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE

* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and "Fables and Fantasies for Adults".
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, *novels* and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots.*
* THE HERITAGE takes you to a tour of the *Little-Known India.*

THE HERITAGE
It's worth preserving. Every issue of it.

FEATURES AND FICTION FOR TODAY AND TOMORROW

“যিদিনা মই মোৰ প্ৰথম শালমন আবিষ্কাৰ কৰিলো…
সেইদিনাই মই আবিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “ছেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে ? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে শালমন পৰিষ্কাৰ কৰাত সহায় কৰে আৰু ই বিয়পি পৰাটোও ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেচিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী



চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
Chocolate Eclairs
more milk
more butter
more chocolate
কেৰামেল খোলাৰে ঢকা,
মাজত চকোলেট
nutrine Eclairs
চুইটে প্ৰতি, দুগুণ তৃপ্তি
nutrine
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চুইট
নিউট্ৰিন কনফেকশানেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.
CLARION